# সোঁৱৰণিৰ সাঁচিপাত

**পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগ আৰু শিক্ষা সতীৰ্থ (প্ৰাক্তন ছাত্ৰ-ছাত্ৰী)ৰ দ্বাৰা প্ৰকাশিত**

nilacharai.com




**তত্বাৱধায়কঃ**

ধ্ৰুৱ শৰ্মা

**সম্পাদনাঃ**

পপী কাকতি

দিতিমণি গোস্বামী

পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগ আৰু
শিক্ষা সতীৰ্থ (প্ৰাক্তন ছাত্ৰ ছাত্ৰী)ৰ দ্বাৰা প্ৰকাশিত

# সোঁৱৰণিৰ সাঁচিপাত

সম্পাদনাঃ

পপী কাকতি
দিতি মণি গোস্বামী

# উৎসৰ্গা



শিক্ষা বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক
৺ ড° হেমচন্দ্ৰ ডেকা ছাৰলৈ সোঁৱৰণিৰ সাঁচিপাত
শীৰ্ষক স্মৰণিকাখনি উৎসৰ্গা কৰিলোঁ।।

সেৱাৰে
সম্পাদনা সমিতি

**DILIP SAIKIA**
Member of Parliament
(Lok Sabha)
Mangaldoi - Assam
MEMBER :
• Standing Committee on Petroleum & Natural Gas
• Consultative Committee on Commerce and Industry

সত্যমেৱ জয়তে

82, South Avenue, New Delhi - 110 011
Telefax : 011-23011035
Mobile : +91-9101910213, 9435102073
E-mail : saikia.dilip@sansad.nic.in

Ward No.9, Bhebarghat M.B. Road,
PO-Mangaldoi, PS-Mangaldoi-784125
Dist. Darrang, Assam
E-mail : dilipvcnyks@gmail.com



## শুভেচ্ছা বাৰ্তা

পোনপ্ৰথমে পূব কামৰূপ মহাবিদ্যালয়ৰ পুৰণি ছাত্ৰ-ছাত্ৰীসকল লগ হৈ উদযাপন কৰিবলৈ লোৱা "প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ" ৰ আন্তৰিক শুভেচ্ছা জনাইছোঁ আৰু সমাৰোহ খনিৰ সফলতা কামনা কৰিছোঁ।

জানিব পাৰি সুখী হৈছোঁ যে, এই সমাৰোহৰ সৈতে সংগতি ৰাখি "সোঁৱৰণীৰ সাঁচিপাত" শীৰ্ষক এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা হৈছে। স্মৃতিগ্ৰন্থখনৰ প্ৰকাশে নিশ্চিত ৰূপত অনুষ্ঠানটো সোণত সুৱগা চৰাব। উদ্যোক্তাসকলক মই ধন্যবাদ জনাইছোঁ আৰু আশা ৰাখিছোঁ গ্ৰন্থখনি পাঠক সমাজে আদৰি ল'ব।

-ইতি-

দিলীপ শইকীয়া
সাংসদ, মঙ্গলদৈ লোকসভা সমষ্টি তথা
ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক, ভাৰতীয় জনতা পাৰ্টি

*Diganta Kalita*
Member of
Assam Legislative Assembly (MLA)
56, Kamalpur Constituency, Assam

सत्यमेव जयते

দিগন্ত কলিতা
বিধায়ক, অসম বিধানসভা
৫৬, কমলপুৰ সমষ্টি

## শুভবাৰ্তা

২৮ ফাগুন, ১৪২৯ ভাস্কৰাব্দ
ইং ১৩ মাৰ্চ, ২০২৩

কমলপুৰ বিধানসভা সমষ্টিৰ উল্লেখনীয় শিক্ষানুষ্ঠান পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহখন অনুষ্ঠিত কৰাৰ যো-জা চলোৱা বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ।

এই উপলক্ষে "সোঁৱৰণীৰ সাঁচিপাত" শীৰ্ষক এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ উদ্যোগ লোৱাটো প্ৰশংসনীয়। সোঁৱৰণী গ্ৰন্থখনিত এই বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাবিভাগৰ লগত জড়িত শিক্ষক কৰ্মচাৰীৰ স্মৃতি সোঁৱৰণী তথ্য সমৃদ্ধ লেখনি প্ৰকাশৰ জৰিয়তে বিভাগৰ ইতিহাস সুন্দৰ ৰূপত প্ৰতিফলিত হব বুলি আশা কৰিলোঁ।

অনুষ্ঠানৰ সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰাৰ লগতে স্মৃতিগ্ৰন্থখনি সকলোৰে সমাদৃত হোৱাৰ কামনাৰে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

**বিনীত**

দিগন্ত কলিতা

**দিগন্ত কলিতা**
**বিধায়ক, কমলপুৰ।**

OFFICE OF THE PRINCIPAL
PUB KAMRUP COLLEGE
P.O.: BAIHATA CHARIALI, DIST.: KAMRUP
ASSAM, PIN-781381

From:
Dr. Bhupen Kr. Sarma, M.Sc.,LLB, Ph.D
Principal

Website: www.pubkamrupcollege.in
Email: principal@pubkamrupcollege.org
principalpkc22@gmail.com
Ph: . 03621-286300, 8638375658 (M)

Ref. : ........................ Date: 06-03-2023



# শুভেচ্ছাবাণী

পূব কামৰূপ মহাবিদ্যালয়ৰ "শিক্ষা বিভাগ"ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰী লগ হৈ "প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাবোহ" উদযাপন কৰাৰ বাতৰিয়ে আমাকো আনন্দিত কৰিছে। এই সমাবোহৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ "সোঁৱৰণীৰ সাঁচিপাত" প্ৰকাশৰ যো-জা কৰা বুলি জানিব পাৰি মই সুখ অনুভৱ কৰিছোঁ।

মই আশা কৰিছোঁ— এই স্মৃতিগ্ৰন্থই উক্ত সমাবোহৰ সুন্দৰতা প্ৰতিফলন কৰাৰ লগতে অনুষ্ঠানটিৰ সৌষ্ঠৱো বৃদ্ধি কৰিব। স্মৃতিগ্ৰন্থ সুন্দৰ লেখাৰে সৰ্বাংগসুন্দৰ হোৱাৰ কামনা কৰিছোঁ।

এইখিনিতে মই শলাগ লৈছোঁ সম্পাদনা সমিতি, লিখক আৰু আয়োজক সমিতিৰ। স্মৃতিগ্ৰন্থখনে সকলোৰে সমাদৰ লাভ কৰিব বুলি আশা ৰাখিলোঁ।

শেষত অনুষ্ঠান সফলভাৱে উদ্‌যাপন হোৱাৰ শুভকামনাৰে—

ভৱদীয়

(ড° ভূপেন কুমাৰ শৰ্মা)
অধ্যক্ষ
পূব কামৰূপ মহাবিদ্যালয়



# শুভেচ্ছাবাণী

পূব কামৰূপ মহাবিদ্যালয়ৰ "শিক্ষা বিভাগ"ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰী লগ হৈ "প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ" উদযাপন কৰিবলৈ ওলাইছে। বিভাগৰ লগতে আমাৰ বাবেও এয়া এক আনন্দৰ খবৰ। আকৌ এই সমাৰোহৰ লগত সংগতি ৰাখি "সৌৰৱণীৰ সাঁচিপাত" নামৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা চলিছে বুলি গম পাই সুখ পাইছোঁ।

মোৰ আশা— এই স্মৃতিগ্ৰন্থই উক্ত সমাৰোহৰ সুন্দৰতা সুন্দৰভাৱেই প্ৰতিফলিত কৰিব। স্মৃতিগ্ৰন্থ সুন্দৰ সুন্দৰ লেখাৰে সৰ্বাংগসুন্দৰ হোৱাৰ কামনা কৰিছোঁ।

সম্পাদনা সমিতি, লিখক তথা আয়োজক সমিতিকো মই ধন্যবাদ জনাইছোঁ।

সমাৰোহ সফলভাৱে উদ্‌যাপন হওক— তাৰেই কামনা থাকিল।

তাৰিখ ঃ ০৬-০৩-২০২৩

ভৱদীয়

(নাৰায়ণ গোস্বামী)
উপাধ্যক্ষ
পূব কামৰূপ মহাবিদ্যালয়

# DEPARTMENT OF EDUCATION
## PUB-KAMRUP COLLEGE
P.O.- BAIHATA CHARIALI
DIST.- KAMRUP (ASSAM), PIN- 781381


*Ref. No : .........................*

*Date : 14-03-2023*



# শুভেচ্ছাবাণী

পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলে লগ হৈ “প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ” উদযাপন কৰিবলৈ ওলোৱা খবৰে মোকো আনন্দিত কৰিছে। বিভাগৰ সামগ্ৰিক উন্নতিত ই অৰিহণা যোগাব বুলি মোৰ বিশ্বাস। সমাৰোহৰ লগত সংগতি ৰাখি ওলাবলগীয়া “সোঁৱৰণীৰ সাঁচিপাত” নামৰ স্মৃতিগ্ৰন্থখনলৈ আমিও আশাৰে বাট চাইছোঁ।

উক্ত স্মৃতিগ্ৰন্থই প্ৰতিফলন কৰক আমাৰ বিভাগীয় প্ৰতিভাৰ সম্ভাৰ। সমাৰোহলৈ মোৰ আন্তৰিক শুভকামনা জনাইছোঁ।

ভৱদীয়

ড° ববিতা দাস
বিভাগীয় মুৰব্বী
শিক্ষা বিভাগ
পূব কামৰূপ মহাবিদ্যালয়

# পূব কামৰূপ মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ সংস্থা

স্থাপিত ঃ ২০০২ খ্ৰীঃ

পঞ্জীয়ন নং - RS/KAM/(R)/264/H/70of2018-2019



## শুভেচ্ছাবাণী

পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ দ্বাৰা সোঁৱৰণীৰ সাঁচিপাত নামৰ এখনি স্মৃতি গ্ৰন্থ প্ৰকাশৰ প্ৰচেষ্টাৰ শুভ বাতৰি মহাবিদ্যালয়ৰ ইতিহাসলৈ এক অফুৰন্ত সম্ভাৰ কঢ়িয়াই আনিব বুলি হৃদয়স্পৰ্শী অনুপম অনুভৱ জাগ্ৰত হৈছে। শিক্ষা বিভাগৰ প্ৰজ্ঞা সুন্দৰ আদৰণীয় চিন্তা, ভাষা-সাহিত্য, গুণগত মান উন্নয়ন আৰু সামগ্ৰিক দিশ প্ৰতিফলিত ৰূপৰ সূৰ্যোদয় চাবলৈ আশাৰে আন্তৰিক শুভাঞ্জলি যাচিলোঁ।

(তনু ডেকা)
সভাপতি
পূব কামৰূপ মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ সংস্থা
দিনাংক ঃ ১৫-০৩-'২৩

# পূব কামৰূপ মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ সংস্থা

স্থাপিত ঃ ২০০২ খ্ৰীঃ

পঞ্জীয়ন নং - RS/KAM/(R)/264/H/70 of 2018-2019

দিনাংক-১৫/০৩/২০২৩



## শুভেচ্ছাবাৰ্তা

শিক্ষা হৈছে প্ৰজ্ঞা, অগ্ৰগতি আৰু বিকাশৰ মূল সমল। সুন্দৰ ভৱিষ্যত জীৱনৰ দিশে আগুৱাই যোৱাত সহায়ক হোৱাকৈ এখন পুথি অথবা আলোচনী প্ৰকাশ কৰি উলিওৱাটো অতিশয় গুৰুত্বপূৰ্ণ বিষয়। মই জানিবলৈ পাই সুখী হৈছো যে সোণালী জয়ন্তী বৰ্ষ গৰকা আমাৰ পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ তৰফৰ পৰা ' সোঁৱৰণীৰ সাচিপাত' শীৰ্ষক এখন ই-আলোচনীৰ প্ৰকাশৰ বাবে প্ৰস্তুতি চলাইছে। ইয়াৰ দ্বাৰাই বিভাগটোৰ সকলো ন-পুৰণি ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সুপ্ত প্ৰতিভাখিনি বিকাশ কৰিবলৈ সুযোগ পাব। আশাকৰোঁ এই আলোচনী খনে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক,সামাজিক, বৌদ্ধিক উত্তৰণৰ দিশত নিশ্চয়কৈ ইতিবাচক প্ৰভাৱ পেলাব।

অচিৰেই প্ৰকাশ পাবলগীয়া আলোচনীখনে সকলোৰে সমাদৰ লাভ কৰিব বুলি আশা কৰাৰ লগতে মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ মূৰব্বী অধ্যাপিকা ববিতা দাসকে ধৰি বিভাগটোৰ সমূহ শিক্ষক-কৰ্মচাৰী, ন-পুৰণি শিক্ষাৰ্থীৰ লগতে আলোচনীখনত নাম সন্নিবিষ্ট হোৱা সমূহ লেখক-লেখিকা এই পত্ৰৰ জৰিয়তে শুভেচ্ছা জ্ঞাপন কৰিলো।

(মহঃ জিয়াউল হক)

সাধাৰণ সম্পাদক

পূব কামৰূপ মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ সংস্থা।

# তত্বাৱধায়কৰ কলম...

## “সোঁৱৰণীৰ সাঁচিপাত”

প্ৰতিগৰাকী মানুহৰ বাবে নিজৰ ঘৰখন আৰু শিক্ষা গ্ৰহণ কৰা পাঠশালাখন বৰ আপোন। বৰ হেঁপাহৰ। সেইবাবে প্ৰতিখন ঘৰ শিক্ষাৰ্থীৰ বাবে প্ৰথমখন পাঠশালা। আনহাতে প্ৰতিখন পাঠশালা দ্বিতীয়খন ঘৰ। প্ৰতিখন পাঠশালা একো একোখন কমাৰশাল। তাতে গঢ় লৈ শিক্ষাৰ্থীসকল নিজৰ বাটেৰে আগবাঢ়ে।

এসময়ৰ শিক্ষাৰ্থী হিচাপে পূব কামৰূপ মহাবিদ্যালয় বহুত গভীৰলৈ আমাৰ সকলোৰে হিয়াত শিপাই আছে। প্ৰবেশ-প্ৰস্থান চলিয়ে আছে। শিক্ষা বিভাগৰ শিক্ষাৰ্থী হিচাপে আমাৰ মাজত আন এক নিবিড় সম্পৰ্ক আছে। অচিনাকি হৈয়ো বিভাগটোৱে আমাক অবিচ্ছেদ্য কৰি ৰাখিছে। আমি সকলো ‘শিক্ষা-সতীৰ্থ’ৰ আপোন সদস্য। সকলোৱে একগোট হোৱাৰ প্ৰয়াস কৰিছোঁ। সঁহাৰিও ইতিবাচক।

আমাৰ স্মৃতিবোৰ সোঁৱৰণ কৰিছোঁ ‘সোঁৱৰণীৰ সাঁচিপাত’ত। চুটি গল্প, কবিতা, প্ৰবন্ধ, অতীত ৰোমন্থন সম্পৰ্কীয় লিখনি আদিৰে সমৃদ্ধ হৈছে ‘সোঁৱৰণীৰ সাঁচিপাত’। সোঁৱৰণীৰ কুঁৱলী ফালি ‘সোঁৱৰণীৰ সাঁচিপাত’য়ে সোঁৱৰাই ৰাখিব আমাক আৰু আমাৰ সম্পৰ্কক। এনে সজীৱ সোঁৱৰণে প্ৰাণৱন্ত কৰি ৰাখিব ‘শিক্ষা-সতীৰ্থ’ক।

‘সোঁৱৰণীৰ সাঁচিপাত’ৰ তত্বাৱধায়কৰ দায়িত্ব উপৰুৱা ভাৱেহে পালন কৰিলোঁ। গভীৰতালৈ ঢুকি নাপাও। তাৰ বাবে ক্ষমাপ্ৰাৰ্থী। ‘সোঁৱৰণীৰ সাঁচিপাত’ৰ লগত জড়িত উপদেষ্টা সমিতিৰ প্ৰতিগৰাকী শিক্ষাগুৰুৰ ওচৰত গভীৰ কৃতজ্ঞ হৈ ৰ’লো। সম্পাদনা সমিতিৰ প্ৰতিগৰাকী সদস্যলৈ ধন্যবাদ আৰু অভিনন্দন জনালোঁ। প্ৰতিগৰাকী লেখক-লেখিকাক কৃতজ্ঞতা জনালোঁ। ‘শিক্ষা-সতীৰ্থ’ৰ সকলো সদস্যক ধন্যবাদ জনালোঁ। বিভাগৰ ভাৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° ববিতা দাস বাইদেউৰ লগতে বিভাগৰ অন্যান্য শিক্ষাগুৰু, মহাবিদ্যালয়খনৰ অধ্যক্ষ মহোদয় সমন্বিতে সকলো শিক্ষা গুৰুলৈ ‘শিক্ষা-সতীৰ্থ’ৰ তৰফৰ পৰা সেৱা জনালোঁ।

‘সোঁৱৰণীৰ সাঁচিপাত’ শিক্ষা-সতীৰ্থৰ দস্তাবেজ হৈ ৰওক।

অনাগত দিনবোৰত আকৌ মিলিত হোৱাৰ আশা আৰু প্ৰতিশ্ৰুতিৰে...

শ্ৰদ্ধাৰে

ধ্ৰুৱ শৰ্মা

(ধ্ৰুৱ শৰ্মা)
তত্বাৱধায়ক, ‘সোঁৱৰণীৰ সাঁচিপাত’
শিক্ষা-সতীৰ্থ
পূব কামৰূপ মহাবিদ্যালয়

# সম্পাদকীয় বিশেষ পৃষ্ঠাঃ

## জ্ঞান সাগৰত যিয়ে স্নান কৰে তেৱেঁই স্নাতক।

আমাৰ আপোন মহাবিদ্যালয়ৰখনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দেৱেন চন্দ্ৰ দাস ছাৰৰ কলমৰ ঠোঁটেৰে নিগৰি পৰা দুষাৰী বাক্যই আমাক আজিও সোঁৱৰাই স্নাতক হোৱাৰ মাদকতা। পূব কামৰূপ মহাবিদ্যালয়ৰ 'শিক্ষা বিভাগ'টোকলৈ যেন আমাৰ আশাৰ শেষ নাই। "ৰামেশ্বৰম সেতুবন্ধনত কেৰ্কেটুৱাই বাঁহপাত এটিৰে সহায় কৰাৰ লেখিয়া কৈ"-সকলোৰে সহায় সহযোগত আজি আমি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ 'শিক্ষা-সতীৰ্থ' সেতু গঢ়িবলৈ আগবাঢ়িব পাৰিছো। এবুকু আশা এসাগৰ আপোনত্বৰ মনোভাবেৰে আমাক জ্ঞান সাগৰত স্নান কৰোৱাই স্নাতক হিচাপে যিসকলে আমাক 'শিক্ষা-সতীৰ্থ' হিচাপে গঢ়ি তুলিলে তেওঁলোকক সাদৰেৰে নমন জনাইছোঁ।

> “সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰাই হ'ল শিক্ষা”
>
> -দাৰ্শনিক এৰিষ্ট'টল

সুস্থ শৰীৰতহে প্ৰকৃততে সুস্থ মন এটিৰ যে সৃষ্টি কৰিব পাৰি সেয়াই এৰিষ্ট'টলৰ শিক্ষা-দৰ্শনত স্পষ্টকৈ প্ৰতিফলিত হৈছে। এইক্ষেত্ৰত প্ৰতিজন ব্যক্তিয়েই নিজৰ ব্যক্তিসত্তাক জাগ্ৰত কৰি এখন সুস্থ সমাজ গঢ়াত নিজৰ অৱদান আগবঢ়াব পাৰে। মনোবিজ্ঞানী ফ্ৰয়ডৰ মতে,

> “সপোন, বাস্তৱ চিন্তাৰ ৰূপান্তৰ মাত্ৰ”

এটি কলি হৈ থকা সপোনক ফলৱতী কৰি তোলাৰ অহৰহ প্ৰয়াসৰ ফলস্বৰূপে আশাৰ ফুলপাহি হৈ ঠন ধৰি উঠিছিল-২০১৪বৰ্ষত শিক্ষা-বিভাগৰ এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠানটিয়ে। দুৰ্ভাগ্যবশতঃ সকলো অতীত হোৱাৰ নিচিনা পৰ্যাপ্ত পৰিমাণে সাৰ-পানী নোপোৱাৰ ফলতে চাগে ফুলপাহ পুনৰ লেৰেলিবলৈ ধৰিলে।

কিন্তু, চৰহা-ডবকা অপকৃষ্টিবোৰে ৰোধিব নোৱাৰাকৈ অনুশাসন নামৰ জেওৰাখন পুনৰ পুতিবলৈ চলোৱা প্ৰচেষ্টাৰে বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ববিতা দাস বাইদেৱে সকলোকে আহ্বান জনাই একগোট কৰোৱালে বিগত ২০২২ বৰ্ষৰ জুন মাহত পূব কামৰূপ মহাবিদ্যালয়ৰ বাকৰিত।

সেয়াই আৰম্ভণি । তাৰপিছত আৰু উভটি নোচোৱাকৈয়ে আমি আজিৰ এই শুভ ক্ষণটিত উপনীত হৈছোঁ। আপোন বিভাগটোলৈ প্ৰতিজনৰ  অন্তৰত থকা মৰম-ভালপোৱা আৰু স্বাভিমানে গঢ়ি তুলিছে আমাৰ 'শিক্ষা-সতীৰ্থ'। মানুহ সদায় নৱ-প্ৰয়াসী। পাৰ হৈ যোৱা সময়ৰ বোজা বান্ধি বৰ্তমানৰ আত্মাভিমানক সাৰথি কৰি ভৱিষ্যতৰ 'শিক্ষা-সতীৰ্থ'ক ন-ৰূপ দিয়াৰ  অহৰহ প্ৰয়াসেৰে  যিসকলে সাহিত্য, কলা-সংস্কৃতি, প্ৰযুক্তিবিদ্যা  তথা আৰ্থিক অনুদানেৰে  চহকী কৰি তুলিলে তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

শেষতঃ

**হে 'শিক্ষা-সতীৰ্থ',**
**যুগ-যুগান্তৰলৈ বিয়পি যাওক**
**তোমাৰ খ্যাতি।**
**জ্বলি থাকক**
**ভৱিষ্যতৰ সপোন শলিতাৰ**
**আপোনত্বৰ প্ৰদীপ**
**যুগস্ৰষ্টাৰ সহস্ৰদিনলৈ।।**

**"তমসো মা জ্যোতিৰ্গময়"**

সম্পাদকদ্বয়
দিতিমণি গোস্বামী
পপী কাকতি
সোঁৱৰণিৰ সাঁচিপাত"
'শিক্ষা-সতীৰ্থ'
পূব কামৰূপ মহাবিদ্যালয়
শিক্ষা-বিভাগ

পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগ আৰু
শিক্ষা সতীৰ্থ (প্ৰাক্তন ছাত্ৰ ছাত্ৰী)ৰ দ্বাৰা প্ৰকাশিত

# সোঁৱৰণিৰ সাঁচিপাত

## সম্পাদনা সমিতিঃ

উপদেষ্টাঃ
ড°ভূপেন কুমাৰ শৰ্মা
শ্ৰীনাৰায়ণ গোস্বামী
ড°অলকা দাস
গিতালী কলিতা
অবিনাশ নেওগ

তত্বাৱধায়কঃ
ধ্ৰুব শৰ্মা

সম্পাদকদ্বয়ঃ
দিতিমণি গোস্বামী
পপী কাকতি

সদস্য-সদস্যাঃ
পূৰবী ডেকা
অনুপমা ডেকা
অসীমা বৰুৱা
ময়ুৰী নাথ
মৃন্ময়ী ডেকা
তন্ময়ী নাথ
নিকুমণি ৰাজবংশী

## সোঁৱৰণিৰ সাঁচিপাতৰ ভিতৰ চ'ৰাত সজাইছে

ৰহিমা বেগম,ড° ববিতা দাস, তৃষ্ণা ৰাণী নাথ, কল্যানী খিং, কল্পনা বৰুৱা,পুৰৱী ডেকা, দিতিমণি গোস্বামী,গিৰীজা তালুকদাৰ, মিলন ৰাজবংশী, কল্যাণী দাস, হৃদয়ানন্দ শইকীয়া, কুইনমা বেগম, বিকাশ কলিতা ,জেচমিনা বেগম,দিপীকা ডেকা, ভাস্কৰ চহৰীয়া,সবিতা কুমাৰ,পূৰবী মালাকৰ, অবিনাশ নেওগ,অনুপমা ডেকা,জয়শ্ৰী ডেকা, দীপান্বিতা বৈশ্য,জুৰি গোস্বামী,জিণ্টুশ্ৰী বৰদলৈ শৰ্মা,গিৰিজা তালুকদাৰ।

**সম্পাদনাঃ**
দিতিমণি গোস্বামী
পপী কাকতি

বেটুপাতৰ পৰিকল্পনাঃ ধ্ৰুৱ শৰ্মা
অংকনঃ মনোজ চক্ৰৱৰ্তী




প্ৰবন্ধ
নিবন্ধ

# স্মৃতিৰ একলম

■ ৰহিমা বেগম
প্ৰাক্তন ছাত্ৰী

আজি বহু বছৰৰ মূৰত আকৌ স্মৃতিৰ পাত লুতিয়াই অতীতৰ বুকুত খোজ দিলোঁ। মনত বহুত হেঁপাহ সপোন বান্ধি ২০০৭ চনত চেনেহৰ পূব -কামৰূপ মহা বিদ্যাল য়ত স্নাতক ১ম বৰ্ষত নামভৰ্তি কৰিছিলোঁ। শিক্ষা বিষয়টো বৰ প্ৰিয় হোৱা বাবে এই বিষয়টোকে গুৰু বিষয় হিচাপে লোৱাৰ বাবে আবেদন জনাই শিক্ষা বিভাগৰ দুৱাৰ ত টোকৰ মাৰিছিলোঁ।আৰু শিক্ষা বিভাগৰ সদস্য হোৱাৰ সপোন পুৰণ হৈছিল।

ইয়াতে সান্নিধ্য লাভ কৰিছিলো শ্ৰদ্ধাৰ স্বৰ্গীয় হেমচন্দ্ৰ ডেকা চাৰ দেৱৰ। তেখেত তেতিয়া আমাৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক আছিল। তেখেতে প্ৰতিটো ক্লাছ কবিতা আৰু গীতৰ মাজেৰে শিকাইছিল। এতিয়াও মনত পৰে চাৰে গোৱা সেই পেৰডী গীতটোৰ কলি " ঠগিলি ঠগিলি নকল কৰি ঠগিলি।" এই ছেগতে তেখেতক অশ্ৰু-অঞ্জলিভৰা শ্ৰদ্ধা নিবেদিছো।

সান্নিধ্য লাভ কৰিছিলো শ্ৰদ্ধাৰ ভাৰতী শইকীয়া বাইদেউ আৰু শ্ৰদ্ধাৰ ববিতা বাইদেউৰ। তেখেত সকলৰ লগত আমি আমাৰ প্ৰতিটো সমস্যাই যেন খুলি ক'ব পাৰিছিলো। ভাৰতী বাইদেউক আমি খুউব ভয় কৰিছিলো। যদিও তেখেতে আমাক খুউব মৰম কৰিছিলে। তাৰোপৰি আৰু দুজন চাৰৰ সান্নিধ্য লাভ কৰিছিলো। তেখে ত সকল হ'ল শ্ৰদ্ধাৰ ভাস্কৰ চহৰীয়া চাৰ আৰু ৰাজকমল শৰ্মা চাৰ। তেখেত সকলে আমাৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীক বন্ধুসুলভ আচৰণেৰে বুজাইছিল।

শিক্ষা বিভাগৰ মনোবিজ্ঞান বিষয়টো মোৰ বৰ প্ৰিয় আছিল।এই বিষয়টো পঢ়ুৱাইছিল শ্ৰদ্ধাৰ ববিতা বাইদেউৱে। যিয়ে আমাক practice teaching লৈ যোৱা , practical কৰোৱা আদিৰ সমষ্ট দায়িত্ব লৈছিল। এতিয়াও মনত পৰে সেই দিনবোৰলৈ। তেখেতৰ প্ৰচেষ্টাতে যেন আমি আকৌ একলগ হ'বলৈ সক্ষম হৈছোঁ। এই চেগতে বাইদেউক মোৰ ফালৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ বিভাগৰ সকলো অনুষ্ঠান আন বিভাগৰ তুলনাত সুকীয়া আছিল। আমি প্ৰত্যেকটো অনুষ্ঠানতে আটায়ে মিলি অংশগ্ৰহণ কৰিছিলোঁ।ইয়াৰ মাজতে এটা বিশেষ দিনৰ কথা ৰোমন্থন কৰিব বিচাৰিছোঁ। মহাবিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হোৱা জনবিজ্ঞান মেলা। য'ত প্ৰতক্ষ ভাবে অংশগ্ৰহণ কৰাৰ সুযোগ পাইছিলোঁ।তথা প্ৰয়াত স্বনামধন্য ৰাষ্ট্ৰপতি ভাৰতৰত্ন ড° এ.পি.জে. আব্দুল কালাম চাৰক লগ পোৱাৰ সুবিধা লাভ কৰিছিলোঁ।

কি যে মধুৰ আছিল সেই দিনবোৰ। ক্লাছটো শেষ হোৱাৰ লগে লগে আমাৰ কিমান যে আড্ডা চলিছিল। এতিয়াও পাহৰিব নোৱাৰোঁ। সকলোতকৈ অধিক আগ্ৰহেৰে বাট চাই আছিলো বিভাগীয় পিকনিকৰ দিনটোলৈ। পিকনিকত যাওঁতে বাছত আমি সদায় শেষৰ দীঘল চিটটো দখলৰ কৰি লৈছিলোঁ। কিমান যে যোৰানাম বিহুনাম গাইছিলো হিচাপেই নাই। সেইদিনা আমাৰ বাইদেউহঁতেও আমাৰ লগত সহযোগ কৰিছিল।

এনেকৈ হাঁহি ধেমালিৰ মাজেৰে স্নাতক ডিগ্ৰী লৈ এই মহাবিদ্যালয়খনৰ আপোন বিভাগটোৰ পৰা বিদায় লৈছিলো।

আজি চৈধ্য বছৰৰ মূৰত"শিক্ষা সতীৰ্থ সন্মিলন" অনুষ্ঠানটিৰ আলোচনাৰ উদ্দেশ্যে আপোন মহাবিদ্যালয় খনত ১৯ ফেব্ৰুৱাৰীৰ দিনাখন ভৰি দি আকৌ নষ্টালজিক হৈ পৰিছিলোঁ। আমাৰ বিভাগৰ পৰা বাইদেউৱে পুৰণি ছাত্ৰ-ছাত্ৰীখিনিক লগ লগোৱাৰ উদ্দেশ্যৰে মিলন সমাৰোহ পতাৰ ব্যৱস্থা কৰাৰ বাবে অত্যন্ত সুখী হৈছোঁ। অনুষ্ঠান টি সুকলমে হৈ উঠক, তাৰো কামনা কৰিলোঁ।।❒

*জয়তু পূব-কামৰূপ মহাবিদ্যালয়*
*জয়তু শিক্ষা বিভাগ।।*




স্মৃতি আৰু অভিজ্ঞতাৰ জলঙাৰে

## পূব কামৰূপ মহাবিদ্যালয়

# শিক্ষা বিভাগঃ ইটো,সিটো,বহুতো...

■ড° ববিতা দাস
বিভাগীয় মুৰব্বী
শিক্ষা বিভাগ

শিক্ষকতা বৃত্তি মোৰ প্ৰিয়।সেই বাবেই চাগে পেছাত এগৰাকী শিক্ষক হিচাবে পূব কামৰূপ মহাবিদ্যালয়ত যোগদান কৰিলোঁ। তেতিয়া শিক্ষা বিভাগত ল'গ পাইছিলোঁ, শ্ৰদ্ধাৰ ড: হেম চন্দ্ৰ ডেকা চাৰ, ভূপেন ডেকা চাৰ আৰু ভাৰতী বাইদেউক। তেতিয়াৰ অসম আৰ্হিৰ শ্ৰেণী কোঠাৰ পৰা এতিয়াৰ আৰ.চি.চি লৈ, ভিন্নৰঙী চাৰ্ট- পেণ্ট,মেখেলা চাদৰ পৰিহিত ছাত্ৰ-ছাত্ৰীৰ পৰা( ঐক্য পোছাক বিহীন) এতিয়াৰ ঐক্য-পোছাক চেলোৱাৰ- কামিজ,চাৰ্ট- পেণ্ট লৈ, আন্ত:গাঁঠনি ক্ৰমে ক্ষুদ্ৰৰ পৰা বৃহৎ কলেবৰলৈ, বিষয় বিভাগকে ধৰি লৈ বৰ্ধিত হোৱা ছাত্ৰ,শিক্ষকৰ সংখ্যা, ইতিমধ্যে আমাৰ পৰা এক বুজন সংখ্যক সতীৰ্থ শিক্ষক অৱসৰপ্ৰাপ্ত হোৱা, ইত্যাদিবোৰ ঘটনা পৰিঘটনাৰ এক দিঘলীয়া পৰিক্ৰমা। দুচকুৰ সন্মুখেৰে বছৰবোৰ আহিছে আৰু গৈছে.... আকৌ আহিব বা আকৌ যাবগৈয়ো। সময়ে সকলো সলনি কৰে। সেয়াও স্বাভাৱিক।

বহু ছাত্ৰ-ছাত্ৰীক ল'গ পালোঁ। বহুতকে মনত ৰাখিছোঁ আৰু বহুতকে নাই পৰা। সাধাৰণতে প্ৰতিটো চূড়ান্ত বৰ্ষৰ ছাত্ৰ- ছাত্ৰী সকলে আমাৰ শিক্ষক সকলৰ অলপ বেছি ওচৰ চাপে, কথা-বতৰা, বিভাগীয় কাম -কাজৰ দ্বায়িত্ব পালন, বিদায় সভা, নৱাগত আদৰণি সভা,বক্তৃতানুষ্ঠান, চেমিনাৰ আদি কাৰ্যসূচী বোৰত সহযোগিতা, দ্বায়িত্বপালন তথা অংশগ্ৰহণ সিহঁতবোৰে বেছিকৈ কৰে।

দলীয় ভাবে মহাবিদ্যালয়ৰ কলেজ সপ্তাহৰ প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰে,পুৰস্কৃত হয়,বিভাগলৈ সুনাম কঢ়িয়াই অনাত আগভাগ লয়, প্ৰশংসা বোটলাৰ লগতে গৌৰৱবোধ কৰিবলৈ চিঞৰি চিঞৰি কয়,--"শিক্ষা বিভাগ জিন্দাবাদ,হিপ হিপ হুৰে....ইত্যাদি ইত্যাদি যৌৱনৰ পাৰ ভঙা উছাহ,উদ্দীপনা, হেঁপাহবোৰ প্ৰকাশ কৰে । সেয়েহে সিহঁতবোৰ বেছি অপোন হৈ পৰে আৰু তেতিয়া মই ভাবোঁ যে ইহঁত বোৰক মনত থাকি যাব। পাহৰিব চাগে নোৱাৰিম।

তাৰ পিছতেই কিন্তু পুনৰ নতুন ছাত্ৰ-ছাত্ৰীয়ে ভিৰ কৰেহি বিভাগত। আকৌ নতুনখিনিৰ সৈতে লাগোতে ভাগোতে পুৰণি খিনি মনৰ পৰা লাহে লাহে আঁতৰি যায়।এয়াই সময়...! ব্যস্ততাৰ ধামখুমীয়াত যেন সকলো বিলীন হৈ যায়।

কথাটো ঠিক যেন তেনেও নহয়।সকলো ছাত্ৰ ছাত্ৰীকেই মনত ৰাখিব যে নোৱাৰোঁ সেইটো নহয়...। বহু পুৰণিও মনত আছে আৰু বহু নতুনক হয়তুবা নাই।

পিছলৈ ঘূৰি চাবলৈ জানো কাৰোবাৰ সময় হয়?এতিয়া সকলোৰেই ব্যস্ত,কোনেও আহৰি নাপায়। তাৰ মাজতো লাগে অলপ সময় নিজৰ বাবে। অনুভৱ কৰোঁ অতীতে যেন ৰিঙিয়াই মাতে, স্মৃতিবোৰে অগা-ডেবা কৰে। পৰিয়াল আৰু কৰ্মক্ষেত্ৰখনৰ সৈতে যিহেতু জীৱনৰ বহু সময় কটাবলগীয়া হয়, সেয়েহে বেছিভাগ স্মৃতি এই ক্ষেত্ৰ দুটাৰ অভিজ্ঞতাৰ জৰিয়তে অহাবোৰেই হয়।

আমি পঢ়োৱা ল'ৰা -ছোৱালীবোৰ এতিয়া কোন বা ক'ত আছে, কোনে কিহৰ সৈতে ব্যস্ত আছে? সিহঁতবোৰ ৰ বিভাগটোলৈ মনত পৰেনে? এবাৰ সমনীয়া বোৰ একেলগে ল'গ লগাৰ কথা চিন্তা নকৰেনে? এনেবোৰ চিন্তা মোৰ মনলৈ বহুবাৰ আহিছে। তাৰ পিছত ৫ টা মান বৰ্ষৰ ছাত্ৰ-ছাত্ৰীক ল'গ লগাই সভা এখনো পাতিছিলোঁ। ২০১৪ চনত। তাৰ পিছত ৱাট্চএপ গ্ৰুপ এটা খোলা হ'ল। এজন দুজনকৈ এতিয়া ২০৭ জনেৰে এটা ডাঙৰ গ্ৰুপ। সেয়ে এই গ্ৰুপটোক এবাৰ একেলগে ল'গ পোৱাৰ খুউব ইচ্ছা হ'ল। মানুহৰ জীৱন খন্তেকীয়া।পৃথিৱীত কোনোৰেই স্থায়ী নহয়। সুখ বিচাৰিও মানুহে হাবাথুৰি খাই ফুৰে। সেয়ে ভাবিলোঁ....এনেকৈ ল'গ লাগিব পাৰিলে সকলোৰে বহুত সুখী হ'ব। মইও হ'ম। শ্ৰেণীকোঠাত দোষ দেখিলে গালি দিয়া, বেয়া কাম কৰিলে শুধৰণি কৰিবলৈ ধমক খোৱা ছাত্ৰ-ছাত্ৰী বোৰৰ বহুতেই এতিয়া একো একোজন দায়িত্বশীল নাগৰিক। ভাবিলেই ভাল লাগে। বিভাগটোৰ প্ৰতিও তেওঁলোক দায়বদ্ধ,অনুজ সকলৰ প্ৰেৰণা বা উৎসাহ হওঁক.... হোৱাতো বিচাৰোঁ। স্মৃতিবোৰ বুটলি আনন্দিত হওঁক,নষ্টালজিক হৈ উঠক, নৱপ্ৰজন্মৰ আদৰ্শ হওঁক.... বিভাগটোৰ সৈতে আজীৱন সাঙোৰ খাই থাকক, এনেবোৰ ভাৱৰ বুৰবুৰণি...কাৰ্যতঃ বাস্তব হোৱাৰ আশাৰে...।।❐



# জীৱনৰ কথা

## মনৰ অনুভৱেৰে দুআষাৰ

■ তৃষ্ণা ৰাণী নাথ
প্ৰাক্তন ছাত্ৰী

কৰবাত পঢ়িবলৈ পাইছিলোঁ - "জীৱনত এনে কিছু প্ৰশ্ন থাকে যাৰ উত্তৰ কেতিয়াও নাথাকে, এনে কিছু ভুল থাকে যাৰ শুধৰণি কেতিয়াও নহয় আৰু এনে কিছু যন্ত্ৰণা থাকে যিবোৰ কাকোৱেই কোৱা নহয়।" জীৱনৰ কোনো দুখেই হেনো চিৰস্থায়ী নহয়। ১০বছৰ আগতে মৃত্যু হোৱা কোনো আত্মীয়ৰ অবৰ্তমানত যিসকল লোকে হিয়া ধাকুৰি কান্দিছিল, সেই ব্যক্তিজনক আজি হয়তো পৰিয়ালৰ কোনেও মনত ৰখা নাই। যদিও মনত ৰাখিছে সেয়াও ফাগুনৰ পছোৱা বতাহ জাকৰ দৰেই, যি বছৰৰ কোনোবা এটা সময়তে আহে। হাজাৰটা ধুমুহা নাহক কিয়, যিমানেই বুকুভঙা বেদনা নাথাকক কিয় - এই বেদনা ক্ষণস্থায়ী, মেঘ আঁতৰি গ'লে পুনৰ ঘূৰি আহিব ৰৌদ্ৰস্নাতা দিনৰ উজ্বলতা। দুঃসময়ে আৱৰি ধৰা অন্ধকাৰবোৰেও কেতিয়াবা আমাৰ জীৱনৰ উজ্বলতম মুহূৰ্তৰ দুৱাৰখন খুলি দিয়েহি।

এৰা, জীৱন বৰ ৰহস্যময়। বিদ্যালয়ত পঢ়ি থকা সময়ত আমাৰ ক্লাচৰ দুয়োটা শাখাত প্ৰায় ১০০ জন ছাত্ৰ-ছাত্ৰী আছিল। তেওঁলোকৰ বেছিভাগেই আছিল অসম্ভৱ আত্মবিশ্বাসী আৰু মেধাবী ছাত্ৰ-ছাত্ৰী। কিন্তু আজি ৪টা বছৰ পিছত সেই ছবিখন সম্পূৰ্ণ সলনি হৈ গৈছে। জীৱন পৰিক্ৰমাত সকলোৱে একলগে আগবাঢ়িব পৰা নাই। কোনোজনে যদি ডাক্তৰ, কোনো জনে ইঞ্জিনীয়াৰিং, কোনোৱে স্নাতক পঢ়ি আছে আৰু কোনোৱে চাকৰি নতুবা ঘৰৰ দায়িত্ব লববলৈ উপাৰ্জনৰ কোনো পথ বিচাৰি লৈছে। এয়াই আমাৰ জীৱন পৰিক্ৰমাৰ কিছু অধ্যায়। সুখ অথবা দুখৰ কোনো ধৰা-বন্ধা সংজ্ঞা নাই।

বেছিভাগ মানুহৰ জীৱনৰ ভিতৰলৈ সোমাই গ'লে দেখা পোৱা যায় যন্ত্ৰণাৰ কূটিল আঁকবাক বোৰ। অথচ সেই যন্ত্ৰণাৰ ৰঙবোৰেৰেই আঁকি পেলাই জীৱনৰ এখন সুন্দৰ ছবি। প্ৰতিজন ব্যক্তিৰ জীৱনৰ একোটা গল্প আছে। হয়তো অকথিত এটা গল্প। গল্পটো হয় আনন্দৰ অথবা বিষাদৰ। অতীতলৈ উভটি গৈ এতিয়া আৰু গল্পটোৰ আৰম্ভণিটো সলনি কৰা সম্ভৱ নহয়। কিন্তু কিছুমান মানুহে কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰে বিষাদৰ চকুলোৰে সেমেকাই থোৱা গল্পটোৰ অন্তিম অংশটো সজাই তোলে সম্ভাৱনাৰ ৰং আৰু তুলিকাৰে। সেই বাটৰে ময়ো এজন অছিন বাটৰুৱা! জীৱনৰ যন্ত্ৰণা আৰু জীৱনৰ সম্ভাৱনা - দুয়ো জীৱনৰ এক আজন্ম বান্ধৱ।

জীৱনৰ লক্ষ্য প্ৰাপ্তিৰ বাবে অক্লান্ত পৰিশ্ৰম কৰিও ব্যৰ্থতাৰ তিক্ততা পোৱা মানুহহো আছে এই পৃথিৱীত। জীৱনটোক নতুনকৈ আবিষ্কাৰ কৰাৰ বাবে কেতিয়াবা পৰাজিত হোৱাৰ প্ৰয়োজনো আহে। সহজতে বিজয়ী হোৱা যুদ্ধৰ আনন্দও ক্ষন্তেকীয়া। বাধা যিমানেই বিশাল হয়, বিজয়ৰ আনন্দও সিমানেই স্থায়ী হয়। জীৱন মানেই নিৰন্তৰ এক গতিময়তা......। পদে পদে বাধা বিঘিনি, প্ৰতিকূলতা আদি সকলো অতিক্ৰম কৰি, শৰীৰত সৃষ্টি হোৱা ৰক্তাক্ত ক্ষত-বিক্ষত ঘাঁবোৰৰ পৰা ওলোৱা তেজৰ চেকুৰাবোৰ মছি আঁতৰাই প্ৰবল আত্মবিশ্বাসেৰে পুনৰ সংগ্ৰামত জপিয়াই পৰাৰ যি বাসনা - এয়েইতো জীৱন !

শেষত কওঁ যদি আপুনি জীৱন সংগ্ৰামৰ যুদ্ধ খনত ভাগৰি পৰিছে তেন্তে অলপ সময় জিৰাই লওক কিন্তু কেতিয়াও থমকি নৰব আগুৱাই যাওক অনিচ্ছাকৃত সত্বেও দুখোজ আগুৱাই ১০ খোজ পিছুৱাই আহিব লগীয়া হব পাৰে তথাপিও আশা এৰি নিদিব। আশাই টো জীৱনৰ জীয়াই থকাৰ সাহস।। ❐





# স্মৃতিৰ সফুঁৰাত এভূমুকি

কল্যানী ধিং
প্ৰাক্তন ছাত্ৰী

শিক্ষা সতীৰ্থৰ সমূহ কাৰ্য্যকৰ্তা সদস্য বৃন্দলৈ পোন প্ৰথমে মোৰ সেৱা জনাইছোঁ গতিশীল সময়ৰ পিছে পিছে দৌৰি আমিবোৰ যে কৰ পৰা কলৈ অ' গতি কৰোঁ সচাই কেতিয়াবা এনেকুৱা লাগে। কিছুমান সময় যদি আমি ধৰি ৰাখিব পাৰিলোহেতেঁন। অত বছৰৰ মূৰত আজি মোৰ মৰমৰ কলেজ খনৰ শিক্ষা বিভাগৰ কিছুমান এৰি অহা স্মৃতিৰ কথা মনত অহাত সৰুকে হ'লেও কিবা এটা লিখিব ওলাইছোঁ।

প্ৰয়াত হেম ডেকা ছাৰৰ সেই সহজ সৰল মুখখন, হাহি ফুৰ্তি কৰি থকা তেওঁৰ ব্যক্তিত্ব সদায়ে সচাকৈয়ে আপ্লুত কৰিছিল তেওঁ মোৰ দেউতাৰ খুব ভাল বন্ধু আছিল বাবেই মোক লগ পালেই কৈছিল অই ভোগেশ্বৰৰ আপি পিতাৰে ভালে আছেনে"। কৰৰা হাইস্কুলত মোৰ দেউতাৰ লগত একেলগে পঢ়া অতীতৰ সেই দিনবোৰৰ কথা মোক লগ পালেই আওৰাইছিল। ভাৰতী বাইদেউৰ সেই গহীন মাততো, এদিন তেওঁ আমাক, ক্লাছৰ সময়ত কথা পাতি থকা দেখি কৈছিল-

"যে মানুহে দুটা কাম কেতিয়াওঁ একেলগে সঠিক ভাৱে সমাধা কৰিব নোৱাৰে পঢ়া আৰু কথা দুয়োটা পৃথকে বেলেগ কাম পঢ়াৰ সময়ত পঢ়াত হে মন , কথাৰ সময়ত কথা । শিক্ষা সতীৰ্থৰ অন্যতম আগধৰোতা ববিতা বাইদেউৰ মুখৰ হাঁহিটো এতিয়াও মনত ভাঁহি উঠে । মানুহজনীয়ে সদায় ক্লাছত বন্ধু সুলভ মনোভাবেৰে বুজায় দিছিল । আমি খুব ভালদৰেই বুজি পাইছিলোঁ কিন্তু ভয়ো সমানে লাগিছিল। ইয়াৰোপৰিও আমি শিক্ষাবিভাগত লগপোৱা সকলোবোৰ ছাৰ-বাইদেউক আমি বহুতো কথাত দিহা-পৰামৰ্শ লৈ আগবঢ়াইছিল। শিক্ষাবিভাগৰ প্ৰত্যেকটো অনুষ্ঠান,বনভোজ আদিত আমি ছাৰ বাইদেউৰ পৰা বহুত সহাঁৰি পাইছিলোঁ । সময় গতিশীল হ'লেও কেতিয়াবা মনতে ভাব হয় , আকৌ যদি সেই কলেজীয়া জীৱনটো ঘূৰাই পালোঁহেতেন । তথাপি আজি মোৰ মৰমৰ কলেজৰ শিক্ষা বিভাগটোৰ বিষয়ে সৰুকে হ'লেও কিবা অলপ লিখিব পাই মনত বহুত আনন্দ পাইছোঁ । শেযত মোৰ মৰমৰ 'শিক্ষা সতীৰ্থ' গোটটো আৰু আগুৱাই গৈ থাকক তাকে কামনা কৰিছোঁ।। ❐



# সুন্দৰ জীৱন সাধনাৰ সাতোটা নিয়ম

■ কল্পনা বৰুৱা
প্ৰাক্তন ছাত্ৰী

১) সংকল্প শক্তি অসীমঃ- নিজক উন্নত আৰু সকলো দিশতে সুন্দৰ কৰিবলৈ হ'লে মনত দৃঢ় সংকল্প গ্ৰহণ কৰা আবশ্যক। এই পৃথিৱীত সকলো কথা সংকল্প শক্তিৰ ওপৰত নিৰ্ভৰ কৰে । ইতিহাস এই কথাৰ সাক্ষী হৈ আছে যে মানুহৰ সংকল্পৰ সন্মুখত অসম্ভৱ কামো সম্ভৱ হৈ পৰে

২) মন ভালেই সকলো ভালঃ- নিজৰ মনত উৎসাহ আনন্দ আৰু সংসাৰৰ ভাল কথা ভবাই ৰাখিব লাগে। দীৰ্ঘ জীৱন লাভ কৰাৰ লগতে যৌৱন কাল স্থিৰস্থায়ী কৰাৰ ৰহস্য ইয়াৰ মাজত লুকাই আছে। লগতে পৰমাত্মাৰ ওপৰত অটুট বিশ্বাস আৰু মানৱ সেৱাত নিজকে অৰ্পিত কৰিলে সোণত সুৱগা হয়। এনে পবিত্ৰ মানুহৰ জীৱন ত বৃদ্ধত্ত কেতিয়াও নাহে। প্ৰকৃতাৰ্থত যুৱবস্থা আৰু বৃদ্ধবস্থা হৈছে কেৱল মনৰ স্থিতি । মনে ভাবিলেই অৰ্থাৎ মন ডেকা হলেই মানুহ ডেকা আৰু মন বুঢ়া হলেই মানুহ বুঢ়া। সেয়ে মনক সদায় সতেজ আৰু সুন্দৰ কৰি ৰাখিব লাগে।

৩) সুখ আৰু দুখ একেটা মুদ্ৰাৰে দুটা পিঠিঃ- দুখ - যন্ত্ৰণা, পীড়া আমাৰ কাৰনে আশীৰ্বাদ স্বৰূপ। আমাৰ জীৱন ত কোনো কাৰণত পীড়াৰ আগমন হলে আমাৰ মন নিজৰ ওপৰত যিমান কেন্দ্ৰিত হয় , বোধ হয় আন কোনো পৰিস্থিতিত তেনে নহয় । এই ধাৰণা চাবলৈ গ'লে পীড়া আমাৰ জীৱন সাধনাৰ অন্যতম অধ্যায়। দুখ আছে কাৰণেই সুখৰ অস্তিত্ব অনু ভৱ হয় । দুখ যদি নাথাকিলেহেঁতেন আমি সুখৰ অস্তিত্ব বুজি নপালো হয়। প্ৰকৃততে সুখ আৰু দুখ দুয়ো মনৰ অৱস্থা । গতিকে দুয়ো পৰিস্থিতিত নিজৰ সাধনা অব্যাহত ৰাখিব লাগে।

৪) মানসিক চাপৰ অব্যাহতি আৱশ্যকঃ- মানসিক  চাপ আমাৰ জীৱনৰ প্ৰায় ক্ষেত্ৰত অসাৰ্থক কৰি তোলাত সাম্যক ভূমিকা পালন কৰে। ইয়াৰ বাহিৰেও ই নানান ৰোগৰ জন্মৰ কাৰক। মানসিক চাপৰ পৰা উদ্ধাৰ পাব হলে  সৰ্বশক্তি পৰমাত্মা ওপৰত পূৰ্ণ বিশ্বাস ৰাখি নিজৰ মন মন্দিৰ শুদ্ধ চিন্তা, সুন্দৰ ভাবনা আৰু ইতিবাচক চিন্তাৰে ভৰ পূৰ কৰি ৰাখিব লাগে।

৫) পৰশমনিৰ প্ৰভাৱত লোহাও সোণলৈ প্ৰৱৰ্তিত হয়ঃ- সুন্দৰ জীৱন সাধনাৰ কাৰণে সত সংগৰ মহত্ব অসীম।  অসৎ লোকো সত সংগ ত থাকি সত হৈ পৰে। কিন্তু এই সৎ সংগ  ভাগ্যৰ বলতহে প্ৰাপ্ত হয় । এবাৰ সৎ  সংগ  প্ৰাপ্ত হলে মনৰ সকলো অজ্ঞানতা আৰু কলুষিতা নাশ হয় । যেনেদৰে সূৰ্য ৰ পোহৰত আন্ধাৰ দূৰ হয়।

৬) মানুহৰ জীৱনৰ সাৰমৰ্মঃ- বিনুৱাজিৰ মতে আমাৰ জীৱনৰ সাৰমৰ্ম তিনিটা শব্দত সোমাই আছে । প্ৰথম হৈছে সত্য যিটো আমাৰ  প্ৰত্যেকৰে   লক্ষ্য হোৱা প্ৰয়োজন, দ্বিতীয় হৈছে সংযম , এই সংযম আমাৰ জীৱন জীয়াই থকাৰ পদ্ধতি হোৱা প্ৰয়োজন। তৃতীয় শব্দ হৈছে সেৱা, আনৰ   সেৱা কৰা আমাৰ জীবনৰ  কৰ্ম হলে সংসাৰত সুখ শান্তিৰ অভাৱ কেতিয়াও নহব। সকলোৰে জীৱনত প্ৰসন্নতা আৰু পবিত্ৰতাই জীৱন যাত্ৰা সুন্দৰ কৰি তুলিব।

৭) পৃথিৱী খনেই আমাৰ বন্ধুঃ- সুন্দৰ জীৱন সাধনৰ  কাৰণে  মানুহৰ প্ৰতি বন্ধু ভাৱ আৰু মংগল ভাৱ  অন্তৰত নিৰন্তৰ  ৰখাৰ  প্ৰয়োজন , কাৰণ ভালপোৱা ভাৱ আৰু মিত্ৰ ভাবত কৈ জীবনত আৰু ডাঙৰ একোৱেই নাই।। ❐



# সমন্ধ আৰু কৰণীয়

■পুৰৱী ডেকা
প্ৰাক্তন ছাত্ৰী

মানৱ জাতিটো পুৰুষ মহিলাৰে পৰিপূৰ্ণ। স্বামী-স্ত্ৰী, নাৰী পুৰুষ এটাৰ আনটো অসম্পূৰ্ণ। সেইকাৰণে ভগৱানে পৃথিৱীত আদম আৰু ইভক একেলগে ধৰালৈ পঠাইছিল। নাৰী নিৰ্যাতনৰ বাতৰি আমি বহুতো শুনি থাকো, কিন্তু সমাজত অকল নাৰীয়ে নিৰ্যাতিত নহয়, সমানে পুৰুযো নাৰীৰ কবলত কেতিয়াবা নিৰ্যাতিত হয়। বহুক্ষেত্ৰত নাৰীয়ে বিভিন্ন চলনা ৰে পুৰুষক দমন, শোযন, ধৰ্ষণ, নিৰ্যাতন কৰি আহিছে, হত্যাস্ত কৰিছে । আচলতে নাৰী পুৰুষ বুলি কথা নাই জীৱশেষ্ট মানুহৰ মাজতে হত্যাকাৰী, লুন্ঠনকাৰী, ধৰ্ষণকাৰী লোক লুকাই আছে কিছুমান নিৰ্যাতন পোহৰলৈ আহে কিছুমান বন্ধ কোটালীৰ ভিতৰতে আবদ্ধ। আচলতে পুৰুষ নাৰী উভয়ে ইজনে সিজনৰ প্ৰতি বৰ মৰম আৰু যত্ন আকলুৱা মৰম, বিনম্ৰতা, সৰলতা, নিঃস্বাৰ্থ বিহীন ভাযাইহে তেওঁলোকৰ মন শুশ্ৰূষা কৰিব পাৰে। উদাহৰ ণস্বৰূপে এগৰাকী ছোৱালী যেতিয়া আশাৰ দুখন ডেউকা মেলি বহু সপোন বুকুত বান্ধি স্বামী গৃহলৈ আহে তেওঁৰ বাবে সকলো নতুন হৈ পৰে। দেহৰ যৌৱনৰ চঞ্চলতা, দুচকুত নানা ৰঙীন সপোনত উটি ভাহি পৰে । সেই সময়ত যদি শাহু শহৰ , স্বামী, ননদ বা স্বামী গৃহৰ আন সদস্যৰ কটু ব্যৱহাৰ, শাৰীৰীক মানসিক নিৰ্যাতন, দমিত পৰিবেশ (চাকৰি,পেছা ব্যবসায়,খোৱা,পিন্ধা অন্যান্য)প্ৰায় কেনেকৈ বাৰু সেই নাৰীৰ দ্বাৰা সুস্থসমাজ,সুস্থ পৰিয়াল, হাঁহি আনন্দৰে ভৰা ধনে ধানে জাতিষ্কাৰ সংসাৰ গড়াৰ আশা কৰিব পাৰি ?

স্বামী স্ত্ৰীৰ সম্পৰ্ক তেতিয়ালৈ আনে শেষ কৰিব নোৱাৰে যেতিয়ালৈ ইজনে সিজনক মৰম, বিশ্বাস, আশ্বাস, সাৰথি নিৰাপদৰ সম্ভেদ দিব পাৰে ।অন্যথা ইয়াৰ অন্তৰায় পৰ্যায়ত প্ৰথম জাক ধুমুহাতে সকলো শেষহৈ যায়। মেঘৰ শব্দ অবিহনে যিজাক বৰযুণে তিয়াই পেলাই সকলো। হেঙুলী আকাশৰ স্বপ্নাতুৰ, ভোকাতুৰ ভালপোৱা নিমিষতে শেষ হৈ পৰে। বন্ধ হৈ পৰে পৃথিৱীত সকলো মৌনতা। দুয়োজনৰ সৰু কথাত মনোমালিন্যৰ ফলত গোটেই ৰাতি বিনিদ্ৰ ৰজনী কটাই। নৈৰ লগত, গছৰ লগত, জোনৰ লগতে,ভগবানৰ লগত,নিজৰ লগত, পোহনীয়া জন্তুৰ লগত কথা পাতি ৰোধ কৰে হৃদয়ত সৃষ্টি হোৱা গৰাখহনীয়া। মাজনিশা অকলে আকাশৰ তলত কটোৱা , লঘোনে থাকা সেইদুখন হৃদয় যোৰা লগোৱা মানুহ এশ জনৰ ভিতৰত কৰবাত দুজন ওলাৱ । স্বপ্ন উলংগ হব, অভিমানীভাষাবোৰ শূন্যতাত গলিব লে ধৰিব তথাপি সমস্যা বাঢ়িৱ, নকমে। নাৰী পুৰুষৰ মাজত বিভেদ কিয় ? আকৌ বহুতো পুৰুষে পত্নীক দমন কৰিবলৈ, যৌতুকৰ বাবে, বা বিভিন্ন ক্ষেত্ৰত পৰিয়ালৰ লগ হৈ হোৱা নোহোৱা বিভিন্ন খুদ উলিয়াই পত্নী বোৱাৰীক অত্যাচাৰ কৰা দেখিছোঁ। নাৰীৰ শাৰীৰীক দুৰ্ব লতাৰ সুযোগ লয়। স্বভিমান, ভয়, লাজ, শংকা, আৰ্থিক অনাটন, সমাজৰ কলুষিত নাৰীৰ বদনামৰ ভয়ত বহুতে মনে মনে সকলো সহ্য কৰি থাকে। কেতিয়াবা শাৰীৰিক বা মানসিক ভাবে ভাঙি পৰাসম্বন্ধ আৰু কৰণীয়চলেৰে তাৰ ভাল বেয়া লগাবোৰ জুখিব সময় নাই।

যান্তিকতা থাকিব লাগে। কিন্তু পৰিয়ালৰ প্ৰতি সময় উলিয়াই ঘৰৰ সামগ্ৰিক পৰিৱেশ সুস্থ কৰি প্ৰতিটো শিশুৰ অন্তৰত সুপ্ত হৈ থকা প্ৰতিভাৰ স্ফুৰণ ঘটাই ব্যক্তিত্বৰ পূৰ্নাংগ বিকাশ ঘটোৱাই শিশুৰ বৌদ্ধিক, আৱেগিক, দেহ মানসিক বিকাশ সাধন কৰিব লাগে। মাক দেউতা কৰ ব্যক্তিগত সমস্যাত বহুতো লৰা ছোৱালীৰ জীৱনৰ ৰং উচ্চৰ্গা হয়। চৰিত্ৰৰ বল, নিঃস্বাৰ্থ ভাৱ, সহনশীলতা, সাহসীকতা, লক্ষ্যস্থিত আদিয়ে মানুহক শ্ৰেষ্ঠ কৰায়। আচৰণ পদ্ধতি হ'ল চৰিত্ৰৰ বাহ্যিক সৌষ্টৱ সমূহৰ অন্যতম। ই হ'ল কাৰ্যৰ ভূষন আৰু কৰ্ম সম্পাদনৰ শোভনীয় ধৰন। মানুহৰ মানবীয় অমূল্যক উত্তৰন ঘটাই জীৱনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অভিজ্ঞতাৰ পমসেদি সত্য-শিৱ-সুন্দৰম সাধনাত নিৰন্তন ব্ৰতী হব পাৰিলেহে পতি-পত্নীৰ মানৱীয় প্ৰমূলৰ অনুশীলনৰ ওৰ পৰিৱ। অন্যথা পতি পত্নীয়ে ইজনে সিজনক দিয়া দোষ, মনৰ কুফলতা, আবৰ্জনা, খঙৰ লপাথপা , পোৱা নোপোৱা, দুলা বেদনা, আশা আকাংক্ষাৰ নেওতাৰ হিচাপ মাতি মাতি জীয়া ই থকাৰ শুদ্ধ সংকল্পই পাহৰিব খোজে। সময় সদায় নীৰবে নাথাকে। স্বামী স্ত্ৰীৰ মাজৰ বিভে দৰ ধোৱাই এদিন আকাশ ছানি ধৰিৱ। ঘৰৰ ছালৰ বৰফে ভিতৰৰ জ্বলি থকা জুইকুৰা নুমাব নোৱাৰে। সেয়ে দুয়োজনে ইজনে সিজনৰ ওপৰত দোষ ঢালি দি সন্তুষ্টি লাভ কৰি থকাতকৈ শিশুৰ লগত সময় অতিবাহিত কৰিলে অধিক সন্তুষ্টি পাব,সেয়া উপলব্ধি কৰা উচিত। সন্তান ৰ দায়িত্ব কেবল পিতৃ বা কেৱল মাতৃৰ নহয় দুয়োজনৰে উচিত।শিশুৱে যদি কৰবাত আঘাত পায়, বেমাৰ হয়, পঢ়া শুনাত কিছু লেহেমীয়া হয়, ভয়াতুৰ হয়, সহ পাঠ্যক্ৰমিক কাৰ্যসূচীত পিছপৰা হয়, অপৰাধ প্ৰৱন হৈ অসামাজিক কামত লিপ্ত হয় তেতিয়া সকলোৰে দৃষ্টিত মাক দেউতাকৰ সংস্কাৰ আহি পৰে।

সমাজে পাহৰি যায় ল'ৰা ছোৱালীৰ তেনে চৰিত্ৰ, ব্যৰ্থতাত সকলোতকৈ চিন্তিত আৰু আঘাত প্ৰাপ্ত মাক দেউতাক হয়। তেনে ক্ষেত্ৰও দুয়োজনৰ ধনাত্মক চিন্তা, ধৈৰ্য, বীৰতা আৰু ইজনে সিজনৰ প্ৰতি থকা গভীৰ বিশ্বাসে শিশুক সজ আৰু শুদ্ধ পথত অনাত সহায় কৰে। অন্যথা যিপাত শৰে বিন্ধিছে সমাজৰ কিছুমান অসভ্য ৰংচোৱা ব্যক্তিয়ে সেই শৰপাতেৰে আৰু বেছি হানি ধৰিব।আনৰ আগত খুলি ক'ব নোৱাৰা কিছুমান কথা দুয়ো দুয়োৰে সাহস হৈ কব কুণ্ঠাবোধ বা ভয়শংকা নকৰি সমস্যা যিয়ে নহওক লাগিলে সমাধান কৰিব্ৰ চেষ্টা কৰিব লাগে। যাতে স্বামী-স্ত্ৰী, পৰিয়াল, সমাজ সকলোৰে লগ লাগি পৃথিৱী সুন্দৰ কৰি ৰাখিব পাৰে । কিয়নো ৰাষ্ট্ৰৰ ক্ৰমোন্নতি, শান্তি, শৃংখলা, অৰ্থনৈতিক অগ্ৰগতি এইবোৰৰ ক্ষুদ্ৰতম আৰম্ভনি হল পৰিয়াল।।❐

কবিতা

# জোনাক

❐ *গিৰীজা তালুকদাৰ*

ৰান্ধনি বেলিটিয়ে
মেলানি মাগিলে
সন্ধিয়াৰ সৈতে
উৎসৱৰ কিৰিলিপাৰি
নামি আহিল জোনাক,
নিৰিবিলি প্ৰতি সন্ধিয়াত
নমাই থওঁ দুখ
আকোঁৱালি লওঁ
জোনাকৰ শীতল সুখ
যেতিয়া জোন হয় পূৰ্ণ
কোনে জানে কাৰ
হৃদয় হয় শূণ্য
কাৰ বুকুৰ হুমুনিয়াহ
কঁপি -কঁপি মিলি যায় বতাহত,
এচোতাল আকুলতাৰে
হিয়াৰ দলনিত
সাঁচি থওঁ মুঠি-মুঠি জোনাক
যেতিয়াই দুখ আহে
আউসীতো আকোৱালি লওঁ।।

# সাঁচিপাত

❐ *দিতিমণি গোস্বামী*

সোঁৱৰণীবোৰ তেনেকুৱাই হয়
যেনেকৈ আপুনি মই বুজি
নোপোৱাকৈয়ে বৈ যায়
ঢুকি নোপোৱা অতীত,
এৰি অহা দিনবোৰৰ
মাজত লুকাই থাকে
পাহৰি নোযোৱা স্মৃতি।
বিনে-ছাইমনৰ বুদ্ধিৰ প্ৰেক্টিকেলৰ পৰা
থৰ্ণডাইকৰ প্ৰচেষ্টা আৰু ভূল শিক্ষণৰ
থিয়ৰিৰ পেজত সোমাই থকা
মেজৰৰ সেই ৰোমাঞ্চকৰ ক্লাচবোৰ,
পাৰ্চনেলিটি জুখিবলৈ বিচাৰি অনা
চাবজেক্টৰ মাজত জুকিয়াই চাও
সিহঁতৰ কৌতুহলী মনবোৰ।
স্মৃতিবোৰ দেখোন আজি উৰি যায়
চিগাৰেটৰ ধোঁৱাৰ দৰে....
থাককচোন..
থকাখিনি সাঁচি ৰাখিম
সযতনে..
পৰাণৰ সাঁচিপাতত লিখি থৈছোঁ
মাজে সময়ে লুটিয়াব পৰাকৈ
চিৰদিন চিৰকাল ।।




# শিক্ষা বিভাগ

## এক আবেগ

তৃষ্ণা ৰাণী নাথ

সময় গতিশীল, পাখি লগা কাঁড়ৰ দৰে সময় উৰি গৈ আছে।সময়ৰ লগে লগে সলনি হৈছে মানুহৰ মন বোৰ। কিন্তু পূব -কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰতি যি আমাৰআবেগ, মৰম,অনুভূতি , শ্ৰদ্ধা সেয়া যেন কেতিয়াও সলনি নহয়।এই বিভাগটোৰ লগত জড়িত প্ৰতি জন ব্যক্তি মোৰ অতি মৰমৰ।

কলেজ নো কি জনা হোৱাৰ পৰাই মন আছিল পূব -কামৰূপ মহাবিদ্যালয়ত অধ্যয়ন কৰা। আৰু সেইমৰ্মে ২০১৭চনত মই পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ স্নাতক ১ম বৰ্ষত নামভৰ্তি কৰিলোঁ। ৰ'ব........... এইখিনিতে এটা কাহিনী আছে -------

শিক্ষা বিষয়টো মোৰ একেবাৰে বেয়া পোৱা বিষয় আছিল।মোৰ প্ৰিয় বিষয় আছিল নৃতত্ব। কিন্তু আমাৰ কলেজত এই বিষয়টো নোহোৱাৰ বাবে মই ৰাজনীতি বিজ্ঞান বিষয়ত অনাৰ্চ লোৱাৰ কথা ভাবিছিলোঁ। নামভৰ্তি দিনাখন কলেজলৈ গ'লোঁ। ৰুমটোৰ ডেস্কখনৰ প্ৰথমতে বহি আছিল সন্মানীয় অলকা দাস বাইদেউ। তেখেতক অৱশ্যে তেতিয়া মই চিনি নাপাওঁ। তেওঁ বহা ঠাইৰ আগফালে লিখা আছিল EDUCATION। প্ৰথম দেখাতে তেখে তক মোৰ ইমান ভাল লাগিছিল আৰু তেওঁৰ ব্যক্তিত্বই মোক ইমান মোহিত কৰিছিল, তেওঁ যেতিয়া মোক অনাৰ্চ কিহত লম সুধিছিল মই ভুলক্ৰমে Education বুলি কৈ পেলাই ছিলোঁ।এইটো আছিল মোৰ নামভৰ্তিৰ কাহিনী। বহুত বেয়া পোৱা বিষয় পঢ়িবলৈ বাছি লৈছিলো।

যিয়ে নহঁওক বিষয়টো নিজে বাছি লৈছো যিহেতু পঢ়িবটো লাগিবই। সেইদিনা কলেজৰ প্ৰথম ক্লাছ।প্ৰথম ক্লাছটোতে সোমাই আহিছিল সন্মানীয় ববিতা দাস বাইদেউ। তেওঁ ক্লাছত আহি সুধিছিল ৰুমত যে ৰোল নং১ কোন হয় বাৰু? মই যেতিয়া থিয় দিছিলো তেওঁ ধুনীয়া হাঁহি এটা মাৰি মোৰ ফালে চাইছিল য'ত মই বহুত মৰম অনুভৱ কৰিছিলোঁ। সেইদিনা বাইদেউৰ ক্লাছ টো কৰি বহুত ভাল লাগিছিল। আৰু মই বেয়া পোৱা শিক্ষা বিষয়টো সেই দিনাৰ পৰা লাহে লাহে প্ৰিয় হৈ পৰিব ধৰিছিল। সেইদিনাৰ পৰা ববিতা বাইদেউক আমি এবছৰ মান লগ পোৱা নাছিলোঁ। কাৰণ বাইদেউৱেPhD কৰিবলৈ UGCৰ FDP ৰ ছুটিত গৈছিল।

সন্মানীয় অলকা দাস বাইদেউৰ ক্লাছ কৰিও খুউব ভাল লাগিছিল। কিন্তু প্ৰথমাৱস্থাত তেওঁক আমাৰ সকলোৰে বৰ ভয় লাগিছিল।লাহে লাহে অনুভৱ কৰিলো তেওঁ এখন বিশাল হৃদয়ৰ গৰাকী, বহুত মৰমিয়াল,বন্ধুত্বসুলভ প্ৰকৃতিৰ। সেইদৰে সন্মানীয় ববিতা বাইদেউৰ ক্লাছ কৰিও খুউব ভাল লাগে। তেওঁক দেখিলেই মনত এটা দুৰ্বাৰ শক্তি আহে। বিশাল হৃদয়ৰ গৰাকী ববিতা বাইদেউ অত্যন্ত সাহসী। অন্যায় -অবিচাৰৰ বিৰুদ্ধে তেওঁ সদায়ে মাত মাতে।অলকা বাইদেউৰ দৰে পিছলৈ ববিতা বাইদেউৰ লগতো এটি ভাল বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিল। দুয়োগৰাকী বাইদেউৱে মোক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল, পৰামৰ্শ দিছিল, প্ৰয়োজন সাপেক্ষে বহুত সহায় কৰিছিল।

এটা কথা আমি সকলোৱে জানো"আমাৰ জীৱনত যি হয় সেয়া আমাৰ ভালৰ বাবেই হয়।"কাৰণ যদিহে মই শিক্ষা বিষয়টো বাছি নললো হয়, সন্মানীয় অলকা বাইদেউ আৰু সন্মানীয় ববিতা বাইদেউৰ দৰে মাতৃ সদৃশ বাইদেউ কেতিয়াও লগ নাপালোহেঁতেন।

আমাৰ বিভাগৰ আৰু দুজন দুগৰাকী ছাৰ -বাইদেউ আছিল। তেখেতসকলৰ নাম ক্ৰমে সন্মানীয় প্ৰাণজিৎ পাটোৱাৰী ছাৰ আৰু সন্মানীয় নিপামণি ডেকা বাইদেউ। তেখেতৰ সকলৰ ক্লাছ কৰিও খুউব ভাল লাগিছিল। তেওঁলোকে আমাক বন্ধুত্বসুলভ মনোভাৱেৰে পঢ়াইছিল। আমাৰ যেতিয়া স্নাতক সম্পূৰ্ণ হও হও তেতিয়া হে সন্মানীয় গিতালী কলিতা বাইদেউৱে কলেজত জইন কৰিছিল । কম সময়তে তেখেতৰ লগতো ভাল বন্ধুত্বপূৰ্ণ সম্পৰ্ক এটা গঢ়ি উঠিছিল।

বৰ্তমান মই আমাৰ শিক্ষা বিভাগতে guest lecturer হিচাপে কাম কৰি আছোঁ। সন্মানীয় গিতালী কলিতা বাইদেউ আৰু সন্মানীয় অবিনাশ নেওগ ছাৰৰ লগত একেলগত কাম কৰি খুবেই ভাল লাগিছে।এওঁলোকে মোক খুউব মৰম কৰে,মোক বহুতো কথা শিকায়।সততা , একাগ্ৰতা, কৰ্মনিষ্ঠতা গুণৰ অধিকাৰী দুয়ো গৰাকী চাৰ-বাইদেউৰ ছাত্ৰী হিচাপে হে মই শিক্ষাগ্ৰহণ কৰিব নোৱাৰিলোঁ। কিন্তু তেওঁলোকৰ লগত থাকি মোৰ বহুতেই ভাল লাগে।

আজি সতীৰ্থ সন্মিলন খনত আমি সকলোৱে একলগ হ'বলৈ ওলাইছোঁ। তাৰ বাবে মই নথৈ আনন্দিত। শেষত সকলোকে মই মোৰ ফালৰ পৰা আন্তৰিক মৰম, শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।। ❒



# স্মৃতিৰ মণিকোঠাত চিৰদিন সজীৱ হৈ ৰ'ব

## পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগ

■ মিলন ৰাজবংশী
প্ৰাঃছাত্ৰ

2005, HSLC পাছ কৰি পূৱ কামৰূপ মহাবিদ্যালয়ৰ নিচিনা এখন ঐতিহ্যমণ্ডিত অসমৰ আগশাৰীৰ শিক্ষাৰ অনুষ্ঠানত নিজকে নামভৰ্তি কৰিব পাই নিজকে ধন্য মানিছোঁ। শিক্ষা শব্দৰ বিশেষ বিশ্লেষণ নকৰো কিয়নো আমি শিক্ষা বিভাগৰে শিক্ষাৰ্থী । কিন্তু লিখিব বিচাৰিছো কিছু নিভাজ আৰু সজীৱ চিৰস্মৰণীয় প্ৰেৰণাৰ কথা যি আনৰ বাবেও যেন সদায় প্ৰেৰণাৰ উৎস হয় । ২০০১ চনত আমাৰ উচ্চতৰ মাধ্যমিকৰ শ্ৰেণীসমূহ মহাবিদ্যালয়ৰ স্বৰ্গীয় ললিত ডেকা কোঠাত হৈছিল। সাধাৰণ ছাত্ৰ হিচাপে শিক্ষা গ্ৰহণ কৰিছিলো যদিও মনত এটাই চিন্তা যে ছাৰ বাইদেউৰ প্ৰিয় হব নোৱাৰিলেওঁ চিনাকি মুখ কেইখনৰ এখন হোৱাৰ। সেয়েহে চাৰিখন বেঞ্চত যিকোনো এটা শাৰীৰ প্ৰথম বেঞ্চখনত বহোঁ । এদিন হঠাৎতে মোৰ পৰম শ্ৰদ্ধাৰ ববিতা দাস বাইদেউয়ে শিক্ষা বুলিলে কি বুজা লিখা? বুলি লিখিবলে কলে 45 মিনিটৰ শ্ৰেণীৰ ৫ ৰ পৰা ৭ মিনিটমান সময় ৰোলকল কৰোতে লগতে শিক্ষক ওলোৱা সময় প্ৰায় ১০ ৰ পৰা ১২ মিনিট যায়। মাজৰ সময়খিনিত লিখিলো। বাইদেউৱে হঠাতে ক'লে সদায় প্ৰথম বেঞ্চত বহা,ৰ'বা কি লিখিছা ছাওঁ? কোৱাৰ লগে লগে লিখা খিনি দেখুৱালোঁ। বাইদেৱে ক'লে আৰু ভালকৈ লিখিবা Regular পঢ়ি যাবা। আগলৈ আৰু ভাল হ'ব।

মনৰ হেঁপাহ যেন পূৰণ হ'ল। অন্ততঃ বাইদেৱে আমাক যে প্ৰথম শাৰীত বহো বুলিয়েই মনত ৰাখিছে । আৰু তেতিয়াৰ পৰাই সকলো চাৰ বাইদেৱৰ মুখত নিজৰ নামটো শুনি ভাল লগা হল । সিদ্ধান্ত ললো শিক্ষা বিষয়ত শুৰু পাঠক্ৰম হিচাপে লৈ জীৱন গঢ়িম। আৰু চেষ্টা চলাই গলো। ২০০৭ চনত উচ্চতৰ মাধ্যমিক পাচ কৰি শিক্ষা বিষয় গুৰু পাঠক্ৰম হিচাপে লৈ মহাবিদ্যালয়ত অধ্যয়ন কৰি Fisrt class লৈ 2010 চনত- গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পাঠক্ৰমত নামভৰ্তি কৰি 2012 চনত স্নাতোকোত্তৰ ডিগ্ৰী লাভ কৰিলোঁ । বাইহাটা চাৰিআলিত BEd কলেজত 2013: 2014 বৰ্ষত BEd complete কৰিলোঁ। কিছুদিন পূব কামৰূপ মহাবিদ্যালত অংশকালীন শিক্ষক হিচাপেও কাৰ্যনিৰ্বাহ কৰিলোঁ ।

2005 চনত আমি নামভৰ্তি কৰোতে লগ পোৱা ছাৰ বাইদেৱেৰ কথা নিলিখি নোৱাৰি।সেই সময়ৰ : বিভাগৰ শ্ৰদ্ধাৰ ড° হেমচন্দ্ৰ ডেকা ছাৰ, শ্ৰদ্ধাৰ ভূপেন ডেকা ছাৰ , শ্ৰদ্ধাৰ ভাৰতী শইকীয়া বাইদেৱ, শ্ৰদ্ধাৰ ববিতা দাস বাইদেউৰ উপৰিও অংশকালীন শিক্ষক ৫ বছৰ আমি লগ পোৱা শিক্ষক সকলৰ ভিতৰত শ্ৰদ্ধাৰ আব্দুল ছামাদ ছাৰ , শ্ৰদ্ধাৰ সব্যাদেৱী বাইদেউ, শ্ৰদ্ধাৰ ৰাজকমল ভট্টাচাৰ্য ছাৰ, শ্ৰদ্ধাৰ নমী তালুকদাৰ বাইদেউ, শ্ৰদ্ধাৰ ভাস্কৰ চহৰীয়া ছাৰ আমাৰ জ্ঞানৰ সমল ব্যক্তি আছিল । যিসকলৰ পাণ্ডিত্য আৰু ব্যক্তিত্বৰে আমি আজি উদ্ভাসিত। কোৱা প্ৰণিধানযোগ্য যে পৰম শ্ৰদ্ধাৰ ভূপেন ডেকা ছাৰ আৰু ড° হেমচন্দ্ৰ ডেকা ছাৰ বৰ্তমান আমাৰ মাজত নাই । তেখেত সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

যিহেতু স্মৃতি গ্ৰন্থ সহপাঠী বন্ধু-বান্ধৱী সকলৰ নাম মনত আহে । লৰা কম যদিও বিভাগত মই (মিলন ৰাজবংশী) অৰূপ ডেকা, দিব্যজ্যোতি ডেকা, ধনজিত বণিয়া, ৰিংকু ডেকা, ৰমেন ৰাজবংশী, বিতোপন শৰ্মা (ছানি) , ছোৱালী সকলৰ ভিতৰত, ৰহিমা বেগম, ইয়াচমিনা খাতুন, নাজমা বেগম, নাজিমা বেগম, চাৰ্জিনা বেগম, চন্দনা নাথ, জয়শ্ৰী বড়ো,মনিকা ডেকা, হিমজ্যোতি ডেকা, তৃষ্ণামনি বেগম,অনামিকা নাথ, শান্তনা শৰ্মা, নিতামণি ডেকা,কল্যানী ডেকা,কণিকা বৈশ্য, চয়নিকা ডেকা, চয়নিকা সাগৰী, মধুস্মিতা ডেকা ,অন্যতম । কাৰোবাৰ উপাধি ভুল হ'লে নাইবা কাৰোবাৰ নাম বৈ গলে ক্ষমা কৰিব ।

তিনি বছৰৰ পিছত লিখা যিহেতু কিছু পাহৰণি স্বভাৱিক । মহাবিদ্যালয়ত আমি অধ্যয়ন কৰি থাকোতে বিভিন্ন কাৰ্যসূচীত নিজকে নিয়োগ কৰিছিলোঁ ।

মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা, মহাবিদ্যালয় সপ্তাহ, বনভোজ, বিভাগীয় নৱাগত আদৰণি সভা , শিক্ষামূলক ভ্ৰমণ, মহাবিদ্যালয়ৰ নিৰ্বাচন,মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস বিশ্ববিদ্যালৰ যুৱ মহোৎসৱ ইত্যাদি কৰ্মসূচীত আমি সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰিছিলোঁ । ২০০৭ বৰ্ষত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপসভা পতি হিচাপেও কাৰ্য্যনিবাহ কৰিছিলোঁ। একে সময়তে বিভাগৰো সম্পাদক আছিল। ছাৰ বাইদেউৰ পৰামৰ্শৰে সদায় কাম বিলাক নিয়াৰিকৈ কৰাৰ প্ৰয়াস কৰিছিলোঁ। ছাত্ৰ একতা সভাত থাকোতে শ্ৰদ্ধাৰ ভাৰতী শইকীয়া বাইদেউ বৰ কৈ ৰিজাল্ট ভাল কৰিবই লাগিব বুলি কোৱা কথা বিলাক সদায় চিৰস্মৰণীয় হৈ থাকিব। সকলো সমস্যাৰ যেন সমাধান-

Slow Study is the best ড° হেমচন্দ্ৰ ডেকা ছাৰৰ এই কথাফাঁকি মোৰ বৰকৈ মনত পৰে। সমগ্ৰ জীৱনৰ শিক্ষা যেন পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষাবিভাগৰ পৰাই আৰম্ভ হৈছিল । আজিও সেই অভিজ্ঞতা আৰু জ্ঞানেৰে নিজৰ জীৱন পৰিচালিত । ছাৰ বাইদেউৰ প্ৰায় কোৱা কথা Semple Leaving and high thinking বাক্যফাঁকি যেন মনত দকৈ খোপনি পুতিছিল ।

বহুত কথাই থাকে কিন্তু লিখাৰ বাবে হয়তো ৫ বছৰীয়া অভিজ্ঞতাৰ আটাইখিনি সম্ভৱপৰ নহয় । সেয়েহে সামৰিলোঁ।। ❒



# পূব কামৰূপ মহাবিদ্যালয়ত মোৰ অতীত, বৰ্তমান আৰু মোৰ দু-আষাৰ

■ কল্যাণী দাস

পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ আটাইকেইজন ছাৰ-বাইদেউলৈ পোনপ্ৰথমে শ্ৰদ্ধা আৰু মৰম যাচিলোঁ। আজি মনত পৰিছে প্ৰয়াত ড° হেমচন্দ্ৰ ডেকা ছাৰ আৰু প্ৰয়াত ভূপেন ডেকা ছাৰলৈ আৰু লগতে ভাৰতী বাইদেউ আৰু ববিতা বাইদেউলৈ । তেখেতসকলে আমাক ধুনীয়াকৈ পঢ়াইছিল আৰু আমিও মনযোগেৰে ক্লাচবোৰ কৰিছিলোঁ। Major ৰ ক্লাচ বুলি ক'লে আমি খুব serious আছিলোঁ।

পূব কামৰূপ মহাবিদ্যালয়ৰ এৰি অহা দিনবোৰলৈ মনত পৰিলে মোৰ কৈশোৰৰ বহুত স্মৃতিয়ে আমনি কৰে। ১৯৯১চনতে প্ৰথম প্ৰৱেশ কৰিছিলোঁ, মেট্ৰিকৰ দেওনা পাৰ হোৱাৰ পিছত। ১৯৯২ চনত হায়াৰ চেকেণ্ডেৰী পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত স্নাতক শ্ৰেণীত পুনৰ নামভৰ্তি কৰিছিলোঁ। স্নাতকত নামভৰ্তি কৰাৰ পিছত শিক্ষা বিষয়তো অনাৰ্চ হিচাপে বাচি লৈছিলোঁ। এই বিষয়টো মোৰ হায়াৰ চেকেণ্ডেৰী পঢ়ি থকাৰ পৰাই ভাল লাগিছিল। বাইদেউহতে অৱশ্যে শিক্ষা বিষয়তো মই টান পাম বুলি কৈছিল, পিছে মইহে মোৰ মনতে পুহি ৰখা আশাতো পূৰণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিলোঁ আৰু শেষত শিক্ষা বিষয়ত অনাৰ্চ লৈ সুখ্যাতিৰে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিবলৈ সক্ষম হৈছিলোঁ। এই ইপ্সিত ডিগ্ৰীটো পাবলৈ বহুত কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। সেই সময়ত আজিৰ দৰে উন্নত যাতায়ত ব্যৱস্থা নাছিল। তথাপি সময়মতে ক্লাচত উপস্থিত হৈছিলোঁ। আমি মেজৰ ক্লাচত তেতিয়া প্ৰায় ৪০জনমান ছাত্ৰ-ছাত্ৰী আছিলো বাবে আটাইকেইজন ছাৰ-বাইদেউয়ে আমাক ব্যক্তিগত ভাৱে জানিছিল। যাৰফলত আমি ছাৰ-বাইদেউহঁতক ফাঁকি মাৰিব পৰা নাছিলোঁ।

সময়বোৰ দূৰন্ত গতিত অতিবাহিত হৈছিল। 1st year অতিক্ৰমি কেতিয়া 2nd year পালো তাৰপিছত final exam ..!! সেই সময়ৰ এটি কথা আজিও মনত আছে, এদিন মই ক্লাচ থকাৰ সময়তে মোৰ এগৰাকী সহপাঠী দেৱযানী(দেৱী)ৰ লগত চাৰিআলিলৈ যাব ওলোৱাত ভূপেন ডেকা ছাৰে মাতি নি সুধিছিল "ক'লৈ যোৱা মেজৰৰ ক্লাচ কৰিব এৰি ?" মই ভয়তে পেপুৱা লাগি চাৰিআলিত কিবা এটা কাম থকা বুলি কোৱাত ছাৰে ধমক দি ক্লাচলৈ গৈছিল। সচাঁয়ে তেখেতে ক্লাচবোৰ কৰোতে বৰ মনযোগেৰে পঢ়াইছিল আৰু আমিও ভয় আৰু ভক্তিৰে ক্লাচসমূহ আয়ত্ত কৰিছিলোঁ। যাৰবাবে সেই বিষয়সমূহ আজিও হৃদয়ঙ্গম হৈ আছে। ইফালে Departmentৰ head হেম ডেকা ছাৰৰ মিচিকিয়া হাঁহিটোৰে আৰম্ভ কৰা শিক্ষণ পদ্ধতিটো আছিল আমাৰ বাবে আকৰ্ষণীয়।

আমি ছাৰৰ ক্লাচ কোনোদিনে মিছ কৰা নাছিলোঁ। ভাৰতী বাইদেউক আমি বৰ ভয় কৰিছিলোঁ। বাইদেউ আছিল স্পষ্টবাদী আৰু strict ,সেয়ে কেতিয়াবা ক্লাচলৈ আহোতে দেৰি হ'লে ভয়ে ভয়ে ক্লাচত প্ৰৱেশ কৰিছিলোঁ।ববিতা বাইদেউক আমি খুউব ভাল পাইছিলোঁ। সেয়ে কিবা নোৱাৰিলে বাইদেউক সুধি সুধি বুজি লৈছিলোঁ। ববিতা বাইদেউৰ শিক্ষণ পদ্ধতি মোৰ বৰ প্ৰিয় আছিল। সেইবাবে ক্লাচত বহি থাকিয়েই ভাবি আছিলোঁ, বাইদেউৰ দৰে এদিন আমিও কলেজ ত ক্লাচ ল'ব পাৰিলে ভাল আছিল।সদৌ শেষত G.U.ৰ পৰা master degree সমাপ্ত কৰি লক্ষ্যত উপনীত হ'লো যদিও জুনিয়ৰ কলেজ এখনতহে নিযুক্তি পাবলে সক্ষম হ'লো। এতিয়া মই কামৰূপা ছোৱালী senior secondary ত কৰ্মৰত। যিয়ে নহওক সম্পূৰ্ণ আশা পূৰণ ন'হলে ও ল'ৰা-ছোৱালীৰ মাজত শিক্ষয়িত্ৰী হিচাপে প্ৰতিষ্ঠিত কৰিব পৰা বাবে ধন্যবাদ দিব লাগিব মোৰ চেষ্টাৰ লগতে শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলক।

পূৰ্ব কামৰূপ মহাবিদ্যালয়ৰ সৰু সৰু স্মৃতিবোৰে আজিও বৰকৈ আমনি কৰে। তাৰ ভিতৰত মোৰ বন্ধু তথা বান্ধৱী গিৰিণ, পৱিত্ৰ, সদানন্দ, ভূৱনেশ্বৰ, দেৱী(দেৱযানী), জুৰি, মীৰা, তৰু, সবিতা দেৱী, সবিতা কাকতি আদি আটাইবোৰ বন্ধু - বান্ধৱীৰ স্মৃতিবোৰ মানসপটত ভাঁহি উঠিছে অতীতৰ সেই মধুৰ দিনবোৰলৈ। আমি আটাইবোৰে ধুনীয়াকৈ ক্লাচবোৰ কৰাৰ উপৰি ও হাঁহি-ধেমালীৰে সময়বোৰ পাৰ কৰিছিলোঁ। যেতিয়া আমাৰ স্নাতক final exam ৰ result দিছিল মনত বৰ ভয় হৈছিল জানোচা পৰীক্ষা বেয়া হয়। ভয়ে ভয়ে খবৰ ল'বলৈ গৈছিলো কলেজলৈ। তাত গৈ result ল'বলৈ যাওতে ভূপেন ডেকা চাৰে teacher common room ৰ পৰা ওলাই আহি মোক বৰ আগ্ৰহেৰে roll no.টো সুধিলে আৰু ময়ো ভয়ে ভয়ে নম্বৰটো দিলোঁ। ছাৰে হাঁহি হাঁহি আহি মোক resultটো দিলে,"তুমি ভাল কৰিছা final 53.33%পাইছা।"

আমাৰ সময়ত এইটো percentage পোৱাটো বৰ কঠিন আছিল। লগে লগে মোৰ কাষত থকা গিৰিণইঁতে মোক আনন্দতে দাঙি ল'ব বিচাৰিছিল আৰু কৈছিল "ৱাহ্ তই ইমান percent কেনেকৈ পালি?" ময়ো ভবা নাছিলোঁ ভবা মতে মোৰ ৰিজাল্ট হ'ব বুলি। ভূপেন ডেকা ছাৰে মোক Gauhati University ত seat নাপালে কটনত হ'লেও admission লোৱাত সহায় কৰিব বুলি কোৱাত মনটো বৰ ভাল লাগিছিল। কিন্তু, অৱশেষত মই G.U. ত admission পাইছিলোঁ। হয়তো কঠোৰ পৰিশ্ৰম আৰু চেষ্টা কৰিলে যে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰি সেয়া খাটাং। শিক্ষা-বিভাগৰ educational excursion ৰ বাবে প্ৰতিবছ ৰে ক'ৰবাত নহয় ক'ৰবাত ছাৰ-বাইদেউৰ লগত যোৱা মূহুৰ্তবোৰ আছিল বৰ আনন্দদায়ক। সেয়ে প্ৰতিবছৰে excursionলৈ নিবলৈ ওলালে আনন্দতে মতলীয়া হৈছিলোঁ। এবাৰ আমি বাইহাটা চাৰিআলিৰ ওচৰৰ ভিতৰখোলা নামৰ ঠাইলৈ ড° হেম ডেকা ছাৰৰ তত্বাৱধানত গৈছিলোঁ। তাত আমি মানুহৰ ঘৰে ঘৰে গৈ 'শিক্ষিতৰ হাৰ কিমান? পুৰুষ-মহিলা উভয়ে কিমান শিক্ষিত? ল'ৰা-ছোৱালী উভয়ৰে শিক্ষা কিমান?' এইবোৰ data collect কৰিছিলোঁ আৰু মনত অপাৰ আনন্দ পাইছিলোঁ এইবোৰ কৰিবলৈ পাই। নিজৰ উদ্দেশ্যত উপনীত হোৱাৰ উপৰিও হাঁহি-ধেমালীৰে সময়বোৰ পাৰ কৰিছিলোঁ ।এবাৰ education department ৰ পৰা picnicলৈ যাওঁতে ঘূৰি আহোঁতে দেৰি হোৱা বাবে দেৱীহঁতৰ ঘৰতে ৰাতি আছিলোঁ। দেৱী মোৰ best friend আছিল। এতিয়া কিন্তু বন্ধু-বান্ধৱীবোৰ ক'ত সিচঁৰতি হৈ আছে নাজানো।

মোৰ এদিন হঠাৎ এটি সৌভাগ্য ঘটিছিল, এইবছৰে H.S. Final exam duty পূৰ কামৰূপ মহাবিদ্যালয়ত পৰা বাবে। সেইদিনা সচাঁয়ে নিজকে গৌৰৱ অনুভৱ কৰিছিলোঁ নিজে পঢ়া কলেজখনত পৰীক্ষাৰ duty দিবলৈ পাই। তাত ববিতা বাইদেউক লগ পাই বৰ আনন্দিত হৈছিলোঁ। বাইদেৱে মোক দেখি লগে লগে কৈছিল,"মোৰ ছাত্ৰীয়ে আজি মোৰে কলেজত duty দিব পৰাটো মোৰে সৌভাগ্যৰ কথা"। সচাঁই সেই দিনটো আছিল মোৰ বাবে স্মৰণীয়। Duty দি থাকোঁতে আমি পঢ়ি থকা, পৰীক্ষা দি থকা মূহুৰ্তবোৰৰ স্মৃতিয়ে মোক বৰকৈ আমনি কৰিছিল। ভাবত বিভোৰ হৈ মাথো ভাবিছোঁ কি এতিয়ৰ পূৰ কামৰূপ কলেজ আৰু তাহানিৰ পূৰ কামৰূপ কলেজ। দুয়োটাৰ মাজত আজি আকাশ-পাতাল পাৰ্থক্য। কাৰণ আগৰ আমি ক্লাচ কৰা ক্লাচৰুমবোৰ এতিয়া নাই। তাৰ ঠাইত ডাঙৰ ডাঙৰ building হৈ গ'ল। পূৰ কামৰূপ কলেজৰ আগৰ সেই অপৰূপা সৌন্দৰ্য্যবোৰ আজি আৰু নাই। সদৌ শেষত পূৰ কামৰূপ মহাবিদ্যালয়ৰ উত্তৰ উন্নতি ও মংগলময় বাতাবৰণ কামনা কৰি মোৰ লিখনিৰ মোখনি মাৰিলো।

ধন্যবাদ।

জয়তু পূৰ কামৰূপ মহাবিদ্যালয়।

জয়তু পূৰ কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা-বিভাগ।। ❐

# রাষ্ট্ৰীয় শিক্ষানীতি ২০২০

## এক চমু অৱলোকন

■ হৃদয়ানন্দ শইকীয়া
প্ৰাক্তন ছাত্ৰ



শিক্ষাই প্ৰতিজন ব্যক্তি তথা প্ৰতিখন দেশ আগুৱাই যোৱাত অপৰিসীম গুৰুত্ব বহন কৰে । শিক্ষাই ব্যক্তি আৰু সমাজৰ সৰ্বপ্ৰকাৰৰ কুশলতা আনে। প্ৰতিখন দেশে নিজ নিজ দেশৰ উন্নতিৰ বাবে এক নিৰ্দিষ্ট শিক্ষানীতি গ্ৰহণ কৰে । আমাৰ দেশেও স্বাধীনতাৰ পিছৰে পৰা সময় সাপেক্ষ প্ৰয়োজন অনুসাৰে ৰাষ্ট্ৰীয় শিক্ষানীতি নামেৰে কিছুমান নিৰ্দিষ্ট শিক্ষানীতি গ্ৰহণ কৰি আহিছে।

ভাৰতৰ প্ৰথমখন ৰাষ্ট্ৰীয় শিক্ষানীতি গ্ৰহণ কৰা হৈছিল ১৯৬৮ চনত। পিছত ৰাজীৱ গান্ধী চৰকাৰে ১৯৮৬ চনত দ্বিতীয়খন প্ৰৱৰ্তন কৰিছিল। ১৯৮৬ চনত গৃহীত ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৯২ চনত প্ৰয়োজন সাপেক্ষে সংশোধন কৰা হৈছিল। শেহতীয়াকৈ একবিংশ শতিকাৰ বিজ্ঞান প্ৰযুক্তিৰ জয়জয়কাৰ দিনত নতুন সময়ৰ সৈতে খোজ মিলাই চলিবলৈ তথা দেশৰ পুৰণি শিক্ষাব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটায় ভাৰত চৰকাৰে নতুন শিক্ষানীতি নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০" গ্ৰহণ কৰিছে।২০২০ চনৰ ৩০ জুলাই তাৰিখে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় কেবিনেট নতুন শিক্ষানীতি খন অনুমোদন জনায়। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ প্ৰাক্তন মূৰব্বী ড° কে কস্তুৰীৰংগনৰ অধ্যক্ষতাত এই শিক্ষা নীতি খনৰ খচৰা প্ৰস্তুত কৰা হৈছে। শিক্ষা মন্ত্ৰণালয়ে এই খচৰা সকলোৰে পৰামৰ্শ গ্ৰহণৰ বাবে ২০১৯ চনত ৰাজহুৱা কৰিছিল । প্ৰায় ২ লাখৰো অধিক পৰামৰ্শ কৰাৰ অন্তত শিক্ষানীতি খনে চূড়ান্ত ৰূপ লাভ কৰে।

নতুন শিক্ষানীতি ২০২০ য়ে ভাৰতৰ শিক্ষা ব্যৱস্থাত ব্যাপক পৰিৱৰ্তন আনিছে। এই শিক্ষানীতিৰ মতে ভাৰতে প্ৰত্যেক বছৰে দেশৰ মুঠ GDP ৰ ৪ ৰ পৰা ৬ শতাংশ শিক্ষা ক্ষেত্ৰত খৰছ কৰিব। দেশৰ আন আন ৰাজ্যসমূহেও এই হিচাপ তে ব্যয় কৰিব লাগিব ।

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ য়ে পৰিবৰ্তন আৰু উদ্দেশ্য সমূহ :-

ভাষাৰ ক্ষেত্ৰতঃ- ভাৰতৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ য়ে মাতৃভাষা আৰু ৰাজ্যিক ভাষাসমূহক অধিক গুৰুত্ব প্ৰদান কৰিব। পঞ্চম শ্ৰেণীলৈকে সকলো শিক্ষাৰ্থীক মাতৃভাষাত পাঠদান কৰিব লাগিব। সংস্কৃত আৰু অন্যান্য বিদেশী ভাষাকো গুৰুত্ব প্ৰদান কৰা হ'ব।

বিদ্যালয়ৰ শিক্ষাঃ- ভাৰতৰ বিদ্যালয় সমূহৰ বৰ্তমানৰ গঠন '১০+২+৩' মডেলৰ সলনি '৫+৩+৩
+৪' মডেলত গঠন কৰা হ'ব। এই নতুন '৫+৩+৩+৪' মডেল অনুসৰি এনে দৰে ভাগ কৰা হ'ব-
১- নিৰ্মাণৰ স্তৰ (৩ ৰ পৰা ৮ বছৰলৈ) :- এই স্তৰটো দুভাগত বিভক্ত কৰা হ'ব - প্ৰথমতে প্ৰাকস্কুল বা অংগনবাদী আৰু দ্বিতীয়তে প্ৰথম শ্ৰেণী, দ্বিতীয় শ্ৰেণী সামৰি ল'ব (Play শ্ৰেণী-৩বছৰ, ১ম শ্ৰেণী ১বছৰ আৰু ২য় শ্ৰেণী ১ বছৰ) ।আৰু গুণগত প্ৰাৰম্ভিক শৈশৱকালীন যত্ন আৰু শিক্ষা (Early Child hood Care and Education-ECCE) প্ৰদানৰ ব্যৱস্থা ৰখা হৈছে

২- প্ৰস্তুতিমূলক স্তৰ (৮ৰ পৰা ১১বছৰলৈ):- এই স্তৰত তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ শিক্ষকক সামৰি ল'ব। এই স্তৰত ক্ৰমান্বয়ে লাহে লাহে কোৱা, পঢ়া লিখা, শাৰীৰিক শিক্ষা, ভাষা কলা, বিজ্ঞান আৰু গণিত আদি বিষয় সন্নিৱিষ্ট কৰা হয়।

মধ্যম স্তৰ(১১ৰ পৰা ১৪ বছৰলৈ):- এই স্তৰত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ শিক্ষকক সন্নিৱিষ্ট কৰা হ'ব। এই স্তৰত সমাজ বিজ্ঞান, ক'লা, বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয় বহল প্ৰেক্ষাপটত আলোচনা কৰা হয়।

মাধ্যমিক স্তৰ(১৪ ৰ পৰা ১৮ বছৰলৈ):- এই স্তৰত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষকক অন্তৰ্ভুক্ত কৰা হ'ব। শিক্ষাৰ এই স্তৰত শিক্ষাৰ্থীক বহুমুখী পাঠ্যক্ৰমৰ জ্ঞান দিয়া হ'ব।

নতুন শিক্ষানীতি অনুসৰি বিদ্যালয় পৰ্য্যায়ত শিক্ষাৰ্থী সকলে অষ্টম শ্ৰেণীলৈকে কেৱল মাত্ৰ তিনিটা পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব আৰু সেইকেইটা হৈছে- তৃতীয়, পঞ্চম আৰু অষ্টম শ্ৰেণী । দশম আৰু দ্বাদশ শ্ৰেণীৰ বাবে বৰ্ডৰ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব যদিও তাক বেলেগ ধৰণে অনুষ্ঠিত কৰা হ'ব।

নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে মাধ্যমিক স্তৰতে সন্নিৱিষ্ট থাকিব। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে এই স্তৰত বৰ্তমানে থকা ষ্ট্ৰীম (Stream) ব্যৱহাৰ বিলুপ্তি ঘটাইছে। বিপৰীতে বিবিধ বিষয় থাকিব ।

স্নাতক পৰ্য্যায়ৰ শিক্ষা:- স্নাতক পৰ্য্যায়ত চাৰি বছৰীয়া পাঠ্যক্ৰম থাকিব। ইয়াত বি.এ,বি.এছ.চি বা বি.কম বুলি নাথাকিব। প্ৰথম বৰ্ষ উত্তীৰ্ণ হ'লে চাৰ্টিফিকেট সহ স্নাতক বুলি কোৱা হ'ব। ঠিক তেনেদৰে দ্বিতীয় বৰ্ষ উত্তীৰ্ণ হ'লে ডিপ্লোমা সহ স্নাতক, তৃতীয় বৰ্ষ উত্তীৰ্ণ হ'লে ডিগ্ৰী সহ স্নাতক আৰু চতুৰ্থ বৰ্ষ উত্তীৰ্ণ হ'লে ৰিচাৰ্ছ সহ স্নাতক বুলি কোৱা হ'ব। প্ৰত্যেক বছৰেই মূল্য থাকিব ।

ABC - Academic Bank of Credit এই শিক্ষানীতিত থকা অন্য এক সংযোজন। প্ৰতগৰাকী ছাত্ৰৰ একোটাকৈ একাউণ্ট থাকিব আৰু ছাত্ৰ/ছাত্ৰীয়ে তেওঁ অৰ্জন কৰা Credit সমূহ সেই একাউণ্ট ত জমা হ'ব। ছাত্ৰ এগৰাকীয়ে দেশৰ যিকোনো শিক্ষানুষ্ঠানৰ পৰা Online অথবা offline ব্যৱস্থাৰ পৰা লোৱা Credit জমা হ'ব।

এনেদৰেই নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ য়ে ভাৰতৰ শিক্ষা ক্ষেত্ৰত এক আলোড়ন সৃষ্টি কৰিব আৰু ই হ'ব বিশ্ব নেতৃত্বৰ ক্ষেত্ৰত ভাৰতৰ সবল খোজ। এই ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ য়ে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ পৰিসৰ বহল কৰিব আৰু মানদণ্ড উন্নত কৰিব।। ❑



# Prejudice regarding the child

## (Prejudice means – Injustice / Unfair)

Mrs Queenma begum
Ex-student (2013)

The child's inherent qualities are unknown entities. There are many prejudices which prevent us from serving the children. It is difficult to know a child unless we get rid of our prejudices. The prejudices are universal. In order to reform education prejudices have to be annihilated.

An adult person always considers himself as the only member of the society who has the right to think for the progress of the society. In this process the child has no role to play. The adult always think that the life of the child can be changed or improved through teaching. The prejudices hinder the understanding of the fact that the child constructs himself in a way that he has a teacher within himself and that a progressive technique of education.

The adult assume that the child cannot control his movement and he is incapable of himself. So the adult does everything for him without thinking that the child can manage everything well. Later the adult say that the child is a heavy burden and a great responsibility. So he needs constant care. Adult always think children's mind are not self guided and self discipline. The personality of the child remains buried under the personality of an adult.

We should concluded that we must response, investigate and fight against the prejudices concerning the child that are prevailing in adult's mind. If the prejudices concerning the child comes to an end it will re-awaken the human consciousness. When the prejudices will be over powerd with knowledge. We can expect the pet quality of children whose marvelous god gifted power within himself will allow him to proceed successfully to a mankind.

Thank you.




# পূব কামৰূপ মহাবিদ্যালয়ৰ

# শিক্ষা বিভাগত মোৰ স্মৃতি

বিকাশ কলিতা
প্ৰাক্তন ছাত্ৰ

যি কেইজন মহান পুৰোধা ব্যক্তিৰ কষ্ট , ত্যাগ আৰু নিপুণ প্ৰচেষ্টাত বাইহাটা চাৰিআলিত ১৯৭২ চনত প্ৰাণ পাই উঠিছিল পূব কামৰূপ মহাবিদ্যালয় , সেই সকল ব্যক্তিৰ মহান প্ৰচেষ্টাক মোৰ ফালৰ পৰা প্ৰণাম জনাইছোঁ । আজি আমাৰ মহাবিদ্যালয় খনে এপল এপ লকৈ ৫০ টা বছৰ গৰকি সোণালী বৰ্ষপুতিত ভৰি দিলে ।

সপোন সপোন যেন লগা অনুভৱেৰে ২০১৬ চনত মই উপস্থিত হৈছিলোঁ মহাবিদ্যালয় খনত । উপস্থিত হৈ প্ৰত্যক্ষ কৰিছিলোঁ মহাবিদ্যালয় খনৰ সৌন্দৰ্য্য । তাৰ পিছত মই বাছনি কৰা শিক্ষা বিভাগলৈ গৈছিলোঁ । গৈ দেখিছিলো বিভাগৰ ৰুমত ভৰি পৰিছিল বিভিন্ন ঠাইৰ পৰা অহা নতুন নতুন ছাত্ৰ -ছাত্ৰী। কিছু সময়ৰ পিছত উপস্থিত হৈছিল সন্মানীয় শিক্ষাগুৰু সকল। প্ৰথম দিন হিচাপে সকলোৰে লগত চা চিনাকি হৈছিল। অতি কম দিনৰ ভিতৰতে লগৰ কেইজনৰ লগত বন্ধুত্ব স্থাপন হৈছিল। আমাৰ বিভাগত ছাত্ৰৰ তুলনাত ছাত্ৰী ৰ সংখ্যা অধিক আছিল।

কিছুদিন যোৱাৰ পিছত ক্লাছ ত কৰা প্ৰশ্ন ৰ ভয়ত বা লাজত আমি বন্ধু কেইজনে ক্লাছৰ পৰা আঁতৰি আছিলোঁ আৰু মহাবিদ্যালয় ৰ বিভিন্ন ঠাইত আড্ডা মাৰিছিলো। এনেদৰে পাৰ হৈছিল প্ৰথম আৰু দ্বিতীয় ষান্মাসিক। এদিন হঠাৎ মই আৰু মোৰ বন্ধু দিগন্তই ক্লাছ ত অনুপস্থিত থাকোঁতে বিভাগ ৰ হেড মেমৰ হাতত ধৰা পৰিছিলো। তাৰপিছত আমাক মেমে কলেজীয়া জীৱনৰ কথা বুজাইছিল।তাৰপিছৰে পৰা আমি নিয়মীয়া ক্লাছত উপস্থিত আছিলোঁ আৰু বিভাগৰ বিভিন্ন কামত জড়িত হৈছিলোঁ ।

এনেদৰে বহু অভিজ্ঞতাৰে ২০১৯ চনত বি. এ. পাছ কৰি মহাবিদ্যালয় তথা বিভাগৰ পৰা বিদায় ল'ব লগা হ'ল। বিভাগটো এৰি আহিলেও তাত আমাৰ বহু স্মৃতি ৰৈ গ'ল। এতিয়াও কিবা বিশেষ কামত বাইহাটা চাৰিআলি লৈ গলে মনত পৰে মহাবিদ্যালয়খনৰ শিক্ষা বিভাগত কটোৱা জীৱনৰ ভাল লগা সময়বোৰ। এতিয়াও মন যায় বিভাগত গৈ ক্লাছ কৰিবলৈ। বহুত Miss কৰো , শিক্ষা বিভাগ PKC।। ❒

## কবিতা

# কথাৰ কথা

➢ *দীপিকা ডেকা*

কথাই থোৰ মেলে
এটা কথাৰ আঁত ধৰি
আন এটা কথাই থোৰ মেলে
অথচ! চিঙো, মোহাৰো
চিঙি মোহাৰি পেলাব পৰাকৈ থোৰবোৰ মোৰ

কথাবোৰ ফুলৰ দৰে
ফুলিল সৰিল ফুলিল
আকৌ সৰিল
সৰাটো ফুলাৰ সমানুপাতিক

কোৱাৰ চখত কথাবোৰ জী উঠে
সমানেই মৰেও
কথাৰ বজাৰত কথাৰ দম
অথচ মূল্যহীন

কথা কাটি কথা ফুলাব পৰাটো
কাঠত ফুল ফুলাৰ দৰে কলা

কথা ৰ'দ
কথা বৰষুণ
কথা বজ্রপাত

কথা উৰে
কথা সৰে
কথা মৰে
কথা ঘূৰেও
কথাৰ পাকত পাকঘূৰনি খাই
পৰি ৰয় কথাবোৰ
কথাৰ পাক ঘোঁৰাপাক।। ❒

# পৰিবৰ্তন

➢ *জেচমিনা বেগম*

পৰিবৰ্তননশীলতাৰে পৰিপূৰ্ণ শোকস্তব্ধ কাহিনী
কেতিয়ানো আহিব,
শোকস্তব্ধ জীৱনলৈ ৰঙীন সপোনৰ ৰাগিনী।
বা বলিছে, গছৰ ডালবোৰ লঠঙা হৈছে।
কেতিয়াবা আকৌ আকাশখন
কলা ডাৱৰে আবৰি ধৰিছে,
কেতিয়াবা আকৌ সূৰ্য্যৰ পোহৰে
আকাশখন জিলিকাই তুলিছে,
নয়ন দুটিৰে আকাশখন চোৱাৰ বৰ হেঁপাহ।
কিন্তু সূৰ্য্যৰ পোহৰে
এই হেঁপাহো যেন বিচ্ছেদ কৰাইছে।
উফ ! কি যে অদ্ভুত, অফুৰন্ত
এই পৰিবৰ্তনশীল প্ৰকৃতিখনি
প্ৰকৃতিৰ পৰিৱৰ্তনময়ী পৰিস্থিতিয়ে
যিদৰে এন্ধাৰৰ পিছত পোহৰ বিলাইছে,
যিদৰে কোনোবা মাহত
গছৰ ডালবোৰ লঠঙা কৰিছে।
আকৌ কোনোবা মাহত
গছৰ ডালবোৰ পাতেৰে ভৰি পৰি
সেউজীয়া প্ৰকৃতিখনিৰ সম্ভেদ দিছে।
ঠিক তেনেদৰে মোৰ হৃদয়খনো
প্ৰকৃতিৰ পৰিবৰ্তনময়ী পৰিস্থিতিৰ দৰে।
জীৱনযুদ্ধৰ পৰিবৰ্তনময়ী পৰিস্থিতিৰ উমান লগাইছে।
আজি কৰ্তব্যব্যস্ততা,
আৰ্থিকহীনতাই জীৱনটো আবৰি ধৰিছে ,
কালিলৈ আকৌ এই জীৱনটোৱে কৰ্মব্যস্ততা,
আৰ্থিকহীনতা নোহোৱা কৰি পেলাব
কিন্তু জীৱনটোলৈ আকৌ আহিব মন প্ৰচেষ্টা,
দুখ - কষ্টতা
এইয়া জীৱনৰ প্ৰকৃতিৰ পৰিৱৰ্তনশীলতা।। ❒




# শিক্ষক জীৱনৰ পাতনি আৰু কিছু স্মৃতি

■ ভাস্কৰ চহৰীয়া

পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰতি আবেগ , এতি স্বাভিমান আৰু অস্তি প্ৰতিষ্ঠিত সপোন । শিক্ষা বিভাগ এই আটাইবোৰ বিশেষত্ব প্ৰতিফলন কৰা এখন দাপোন। সুদীৰ্ঘ পাঁচ বছৰীয়া এটা যাত্ৰাৰে অলিখিত ইতিহাস। সকলো কথাই সামৰিব নোৱাৰিম, সকলোকে সোঁৱৰণ কৰিবও নোৱাৰিম , মাথোঁ কেইটামান কথাৰে স্মৃতি ৰোমন্থন কৰাৰ প্ৰয়াস কৰিম। জীৱন যাত্ৰাত সুহৃদয় স্বৰূপ সকলোকে সামৰিব নোৱাৰাৰ বাবেই ক্ষমাপ্ৰাৰ্থী।

শিক্ষকতা জীৱনৰ লক্ষ্য নাছিল শিক্ষক হোৱাৰ সপোন নাছিল , আছিল মাথোঁ সমাজৰ বাবে নিজক উচৰ্গা কৰি ভাল লগা ভালপোৱা কামবোৰৰ মাজত নিজকে ব্যস্ত ৰখা, এটা উপভোগ্য জীৱন গঢ়ি তোলা। কিন্তু সেই সময়ত পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ কাণ্ডাৰী ড°হেমচন্দ্ৰ ডেকা ছাৰৰ এটা আহ্বানত শিক্ষকতা জীৱনৰ পাতনি মেলিবলৈ সুদূৰ ধেমাজি জিলাত এটা NGO কৰ্মী হিচাপে কৰি থকা কামটো বাদ দি পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ এগৰাকী অংশকালীন প্ৰবক্তা হিচাপে অংশগ্ৰহণ কৰিলোঁ। নতুনকৈ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰী লৈ ওলাইছোহে মাথোঁ । শিক্ষকতাৰ অ-আ-ক-খ নাজানো। প্ৰথম ক্লাছটো ডিগ্ৰী তৃতীয় বাৰ্ষিকৰ মেজৰৰ আছিল।এটা সৌহাদ্য পূৰ্ণ পৰিবেশত ছাত্ৰ -ছাত্ৰীৰ সম্পূৰ্ণ সহযোগিতা। পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰশাসনিক অনুশাসন আৰু নিয়মানুবৰ্তিতাৰ বিষয়ে আগতে শুনা কথাবোৰ যেন সম্পূৰ্ণ সত্য তাৰ প্ৰমাণ প্ৰথম ক্লাছটোতে পাইছিলোঁ।

তাৰ পিছত ছাত্ৰ ছাত্ৰীসকল সৈতে বন্ধুত্বৰ সোৱাদ, জ্ঞান অৰ্জনৰ বাবে ন ন তথ্যৰ অনুধাৱন , অন্যান্য বিভাগ সমূহৰ সৈতে বন্ধুত্বপূৰ্ণ সহযোগিতা এইবোৰ স্মৃতি আজীৱন মানস পতত ভাঁহি থাকিব ।

শিক্ষক হ'বলৈ শিকিলোঁ হায়াৰ চেকেণ্ডাৰী খণ্ডৰ ক্লাছ বোৰত তিনিশ-চাৰিশ ল'ৰা-ছোৱালী এটা ক্লাছত । ৰোল নং মাতি মাতি ভাগৰি যাওঁ। তাৰ পিছত চল্লিশ মিনিটৰ একোটা ক্লাছ। দুই চাৰিটা ল'ৰা-ছোৱালীৰ স্বভাৱ সুলভ উৎপাত কৰে । দুই চাৰিজন তেনে ছাত্ৰ থাকে প্ৰতিটো ক্লাছত । প্ৰথমে বৰ ভাগৰুৱা আৰু বিৰক্তিৰ যেন অনুভৱ হৈছিল। কিন্তু এদিন ড° হেমচন্দ্ৰ ডেকা ছাৰে টেকনি কবোৰ বুজায় দিলে।এপ্লাই কৰি চালোঁ। সঁচাকৈ তাৰপিছত থমকি ৰ'ব লগা হোৱা নাই।এদিনত চাৰিটাকৈ ক্লাছ কৰিওঁ নাভাগৰিলোঁ। হয়টো ছাত্ৰ ছাত্ৰীয়ে বেয়া পোৱা নাছিল, কিয়নো আজিওঁ তেওঁলোকৰ সৈতে বন্ধুত্ব অতুত আছে ।

এইবাৰ আহো সাংস্কৃতিক দিশটোলৈ । ড° ববিতা দাস বাইদেউ সংস্কৃতিৰ অনুৰাগী । সাংস্কৃতিক দিশৰ কিবা এটা নতুন কাম কৰাৰ বাবে বাইদেৱে সততে অনুপ্ৰেৰণা যোগাইছিল। শিক্ষা বিভাগৰ পৰা প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকাৰ কাম আমি কৰিছিলোঁ। তাৰ পিছত মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাত নতুনত্ব আনিছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয় সাংস্কৃতিক শোভাযাত্ৰা দলৰ নেতৃত্ব দিছিলোঁ। উত্তৰ-পূবৰ সাতভনীৰ সংস্কৃতিৰ মিলন ধাৰণাটো পুৰস্কিত হৈছিল আৰু আছু (AASU) ৰ উপদেষ্টা ড° সমুজ্জল ভট্টাচাৰ্যই প্ৰশংসা কৰিছিল । তাৰ পিছত নাট প্ৰদৰ্শন। বনভোজ খাবলৈ যোৱা আমাৰ বিভাগৰ ছাত্ৰ ছাত্ৰীয়ে বনভোজ স্থলীত ড্ৰাগছৰ ভয়াবহতা , মাদক দ্ৰব্য নিবাৰণ, এইচ.আই.ভি সংক্ৰমণৰ সাৱধানতা বিষয় বস্তুৰ ওপৰত মই ৰচনা কৰা বাটৰ নাট প্ৰদৰ্শন কৰি ভূঁয়সী প্ৰশংসা লাভ কৰিছিলোঁ।

পূব কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপিকা গোটে অনুষ্ঠিত কৰা আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি গ্ৰাহস্থ্য হিংসা আৰু নিৰ্যাতন শীৰ্ষক এখন বাটৰ নাট বাইহাটা চাৰিআলিৰ ৰাজপথত প্ৰদৰ্শন কৰা হৈছিল। নাটখনৰ প্ৰদৰ্শন আৰু পৰিচালনা মই কৰিছিলোঁ আৰু তাত ছাত্ৰ ছাত্ৰীসকলে দুৰ্দান্ত অভিনয় কৰিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ সমাৰোহত একাংক নাট প্ৰতিযোগিতাত মই ৰচনা কৰা 'সম্প্ৰীতিৰ এসাঁজ' শীৰ্ষ একাংক নাটখন মনস্থ হৈছিল। প্ৰতিযোগিতাৰ আশী খন নাট ভিতৰত আমাৰ নাটখনে শ্ৰেষ্ঠ অংগসজ্জাৰ পুৰস্কাৰ লাভ কৰিছিল।সুন্দৰ অভিনয়ৰ সমাহাৰ ঘটোৱা আমাৰ ছাত্ৰ ছাত্ৰীসকলৰ অভিনয় স্পৃহা আৰু কৰ্মপটুতা আজিও স্মৃতি হৈ মানস পটত ভাহি উঠে।

শিক্ষকতা জীৱনৰ পাতনিতে অনুশাসন শিকাইছিল শ্ৰদ্ধাৰ ভাৰতী শইকীয়া বাইদেৱে কিদৰে "বাহিৰত কেতেৰা ভিতৰি নেৰিবা বেথা"- ফৰ্মূলা প্ৰয়োগ কৰি ছাত্ৰ -ছাত্ৰীক শাসন কৰিব লাগে বাইদেৱে শিকাইছিল। অতিশয় কোমল আৰু দয়ালু স্বভাৱৰ বাই দেৱে ল'ৰা ছোৱালীৰ সন্মুখত কেতিয়াও নিজৰ ভিতৰৰ ভাগটো নেদেখুৱাইছিল । যদিও অতিপাত মৰম আছিল ছাত্ৰ ছাত্ৰীৰ প্ৰতি । সেয়ে সকলোকে সমান দৃষ্টিৰে চাইছিল আৰু বিদ্যায়তনিক দিশটোত সতৰ্ক থাকিবলৈ আহ্বান জনাইছিল।

মহাবিদ্যালয়লৈ আহিছিল ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মিছাইল মেন এ.পি.জে আব্দুল কালাম আজাদ।আদৰণি সমিতিৰ সাংস্কৃতিক বিভাগৰ সদস্য হিছাপে নলবাৰী লৈ গৈ পুতলা নাচৰ দল এটাক বিজ্ঞান ভিত্তিক প্ৰদৰ্শনী এটাৰ বাবে সন্মতি কৰাই বন্দোবস্ত কৰাৰ কথা আজিও মনত পৰে।

মুঠতে স্মৃতিৰ মেটমৰা ভাণ্ডাৰ এটা পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সৈতে সংপৃক্ত হৈ আছে আৰু থাকিব। দেওঁমৰনৈ বি.এড মহাবিদ্যালয়ত বৰ্তমান সহ কাৰী অধ্যাপক হিচাপে কৰ্মৰত যদিও পূব কামৰূপ মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ ছাত্ৰীক পুনৰ শিক্ষাৰ্থী হিচাপে পাঠদান কৰিব পাওঁ আৰু লগ পালে সোণসেৰীয়া স্মৃতিবোৰৰ ভাগ বতৰা কৰোঁ। বৰ্তমানেও শিক্ষা বিভাগৰ অতীতৰ গৌৰৱ অক্ষুণ্ণ আছে বুলি শুনিব পায় গৌৰৱ অনুভৱ কৰোঁ।

জয়তু পূব কামৰূপ
জয়তু শিক্ষা বিভাগ।। ❐



# আপোন কলেজখন আৰু আপোন বিভাগটি


■ সবিতা কুমাৰ

স্মৃতিৰ উকমুকনিত  শব্দবোৰে যেন হেৰাই যায়। অনুভৱবোৰ যিমানেই গভীৰ হয় শব্দবোৰ সিমানেই যেন মুক হৈ ৰয়। মই পি. কে. চি. ও পঢ়ো - কাৰোবাৰ সুখত কথা যাৰ শুনিলেই ক্ৰিয়া এক বুজাব নোৱাৰা অনুভূতিয়ে হৃদয়খন বৰ  বেয়াকৈ খুন্দিয়াই যায় । এয়া সুখৰ নে দুখৰ অনুভব বুজিবলৈ যেন নিজৰেই কঠিন হৈ পৰে । এই বিশেষ নামটো যে মোৰ আবেগ, মোৰ স্বাধীমান, মোৰ সকলো। মনটো কিছু মূহুৰ্তৰ বাবে গুছি যায়,সেই জীয়া দিনবোৰ- মোৰ সকলো সৈ সাত আছিল ভাৰতী বাইদেউৰ মৰমলগা মুখখনি লগতে তেওঁৰ- উপদেশমূলক কথাবোধ, অভিভাৱকৰ দৰে দিয়া গালিবোৰ, স্বাধীমান  ভাষা ববিতা বাইদেউৰ মুখখনি তথা গভীৰ আত্মবিশ্বাসৰে ভৰা  তেখেতৰ ব্যক্তিত্ব,

ভাস্কৰ চহৰিয়া  চাৰৰ ধেমেলীয়া কথাৰে আৰম্ভ কৰা ক্লাছবোৰ । স্মৃতিৰ মানপটত আজিও সজীৱ হৈ আছে সেই এৰি  অহা  দিনবোৰ । নিপা,  হিমা, ৰুপা হতৰ লগত কটোৱা সেই ধেমেলীয়া মূহুৰ্ত্তবোৰ য'ত পাইছিলো এজন  নিঃস্বাৰ্থ বন্ধুত্বৰ সোৱাদ ।

প্ৰতিজন শিক্ষাগুৰুৰ সান্নিধ্যই যেন মোক এগৰাকী মানুহ হোৱাৰ প্ৰতিশ্ৰুতি দি গৈছিল । তেখেত সকলৰ ব্যক্তিত্বই মোৰ মন মান সত বাৰু-কৈয়ে সাচ বহুৱা ইছিল । শিক্ষক বৃত্তিবোৰ প্ৰতি আৰু অধিক শ্ৰদ্ধাশীল হ'বলৈ বাধ্য কৰিছিল। তেওঁলোকৰ সান্নিধ্যই ম এই বৃত্তিটোৰ লগত জড়িত হয় অদ্যম সাহস আৰু মনোবল দিলে । তেওঁলোক লৈ মোৰ সশ্ৰদ্ধা প্ৰণাম ।

P.k.c. মোৰ বাবে এক আবেগ। উজ্বল নক্ষত্ৰ দৰে খদাই আশা  Pkc. খন জিলিকি থাকক  তাকেই কামনা কৰিলো।।❐




# শিক্ষা বিভাগত মেজৰ লোৱাৰ আঁৰৰ কাহিনী

■ পূৰবী মালাকৰ
প্ৰাক্তন ছাত্ৰী

২০০১ চনত পূব কামৰূপ মহাবিদ্যালয়ত প্ৰথম খোজ পেলাইছিলোঁ । উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে মই মোৰ  বাইদেউৰ  লগত প্ৰথম পূব কামৰূপ মহাবিদ্যালয়ৰ ভিতৰত সোমাইছিলোঁ । বাইদেৱে , পূব কামৰূপ মহা বিদ্যালয়ৰ পৰা দৰ্শন বিভাগত স্নাতক গ্ৰহণ কৰিছিল ।  বহুতো আশা বহুতো সপোন লৈ পূব কামৰূপ মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ। ২০০৩ চনত উচ্চ তৰ মাধ্যমিক পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ ইয়াতেই বি.এ.ত নামভৰ্তি কৰিলোঁ। এতিয়া আহো মোৰ শিক্ষা বিষয়ত মেজৰ লোৱাৰ আঁৰৰ কথালৈ

মই বি.এ. ফৰ্মখনত দৰ্শন বিষয়ত টোত মেজৰ লম বুলি নিৰ্বাচন কৰিছিলোঁ কাৰণ দৰ্শন বিষয়ত মই লেটাৰ মাৰ্ক পাইছিলোঁ আৰু মই "Logic & Philosophy" বিষয়টো উচ্চতৰ মাধ্যমিকত সহজ পাইছিলোঁ।Education পঢ়িও ভাল পাইছিলোঁ কিন্তু মোৰ বান্ধৱী কেইজনী দীপান্বিতা ,  প্ৰীতি, বৰষা আৰু লিপিকাই 'Education' ত মেজৰ লৈছিল। মই দৰ্শন বিভাগত অকলশ ৰীয়া হৈ যাম, তাৰোপৰিও 'Education'  ত মই ভবাতকৈ   বহুত কম নম্বৰ পাইছিলোঁ। সেয়েহে মেজৰ পাওঁ নে নাপাওঁ সন্দেহ আছিল।   অৱশেষত নাম ভৰ্তি দিনা শ্ৰদ্ধাৰ ঁহেমো ডেকা (Head Of tha Department) ক সুধিলো , ছাৰ মই মেজৰ পাম নে ?  ছাৰে পাম বুলি কোৱাৰ লগে লগে ' Philosophy ' কাটি 'Education' কৰি দিলোঁ। ইয়াৰ পৰা আৰু অধিক  জড়িত হৈ পৰিলোঁ শিক্ষা বিভাগৰ লগত ।

পিছত শিক্ষা বিষয়টো আৰু অধিক ভাল লগা হ'ল। শ্ৰদ্ধাৰ হেমো ডেকা ছাৰ, ভূপেন ডেকা ছাৰ, ভাৰতী বাইদেউ আৰু একেবাৰে কনিষ্ঠতম আমাৰ আটাই ৰে শ্ৰদ্ধা আৰু মৰমৰ ববিতা বাইদেউৰ সুন্দৰ বিশ্লেষণাত্মক বৰ্ণনাৰে Class কেইটা মনোগ্ৰাহী হৈ পৰিল । কিন্তু প্ৰথম বৰ্ষৰ পৰীক্ষাত মোৰ মেজৰৰ পৰীক্ষা বহুত বেয়া হৈছিল কাৰণ আমি (1+1+1) পদ্ধতিৰ প্ৰথম শিক্ষাৰ্থী আছিলোঁ । সেয়ে আমাৰ বৰ্ষৰ প্ৰশ্নকাকতৰ লগত আগৰ বৰ্ষবিলাকৰ প্ৰশ্নকাকতৰ একে বাৰে মিল নাছিল আৰু মই আগৰ বৰ্ষৰ প্ৰশ্নবিলাক অনুসৰণ কৰিছিলোঁ।পৰীক্ষা দি উঠি আকৌ মই বিমোৰত পৰিলোঁ কিয়'Education' বিষয়টো বাচি লৈছিলোঁ। মই ভাবিছিলোঁ মোৰ মেজৰ নৰব আৰু সেয়ে মই সিদ্ধান্ত ললো যে মই আকৌ দৰ্শন বিষয়ত মেজৰ লম । এটা বছৰ ক্ষতি হয় হ'ব, কিন্তু মোৰ ভৱিষ্যতৰ কথা আছে। কিন্তু ভগৱানৰ কৃপাত মোৰ মেজৰ ৰল আৰু মই সিদ্ধান্ত সলনি কৰিলোঁ আৰু ২০০৬ চনত মই ৫২% নম্বৰ লৈ 'Education' বিষয়ত স্নাতক উত্তীৰ্ণ হ'লো।

আৰু আজি মই যিটো বৃত্তিৰ লগত জড়িত 'Education' বিষয়টোৱে মোক বহুত সহায় কৰিছে। কাৰণ এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী হিচাপে ছাত্ৰ ছাত্ৰীৰ মানসিক অৱস্থাৰ বুজ লৈ শিক্ষাদান কৰিব লাগে আৰু 'শিক্ষা আৰু মনোবিজ্ঞান ' বিষয়টো পঢ়াৰ ফলত শিক্ষাৰ্থীসকলৰ মানসিক অৱস্থা ভালদৰে বুজিব পাৰি।

ধন্যবাদ শিক্ষা বিভাগ , ধন্যবাদ পূব কামৰূপ মহাবিদ্যালয় যাৰ ফলত মই মোৰ লক্ষ্যত উপনীত হৈছোঁ । কাৰণ মোৰ জীৱনৰ লক্ষ্যই আছিল সৰু সৰু ল'ৰা-ছোৱালীৰ শিক্ষয়িত্ৰী হোৱা । জয়তু পূব কামৰূপ মহাবিদ্যালয় জয়তু পূব কামৰূপ মহাবিদ্যালয় শিক্ষা বিভাগ পূব কামৰূপ মহাবিদ্যালয় আৰু অধিক উন্নতিৰ শিখৰত উঠি যাওক তাৰেই কামনা কৰিলোঁ।। ❐

# শিপাৰ সোৱাদ অপূৰ্ব



■ অবিনাশ নেওগ
সহকাৰী অধ্যাপক,শিক্ষা বিভাগ।

সমাজখন আৰু তাত বাস কৰা মানুহবোৰ যুগৰ লগত সলনি হ'ব লাগিব এইটো প্ৰকৃতিৰেই নিয়ম। একবিংশ শতিকাৰ দ্বিতীয় দশকত মানুহবোৰ  ডিজিটেল  হ'ব ধৰিছে - শিশুৰ পৰা বয়স্থলৈ সকলো একেখন ডিজিটেল পৃথিৱীৰ মানুহ। বৌদ্ধিক,সাহিত্য আৰু  শৈক্ষিকক্ষেত্ৰ খনটো ডিজিটেল মাধ্যমৰ প্ৰভাৱ নপৰাকৈ থকা নাই। ই মেগাজিন,ই লাইব্ৰেৰী আনকি হাতত লৈ ফুৰা মোৱাইলটোৰেও ইন্টাৰনেটত কিবা পঢ়িবলৈ,জানিবলৈ  বিচাৰিলে  মানুহে জানিব পাৰে ,পঢ়িব পাৰে।এয়াও ডিজিটেল মাধ্যমৰ অৱদান।এতিয়া ডিজিটেল মাধ্যমক অৱহেলিত কৰি আগবাঢ়ি যোৱাটো প্ৰায় অসম্ভৱ। ডিজিটেল মাধ্যমে  আমাক  সকলোখিনি দিছে যদিও আমাক এটা বস্তু দিবলৈ পৰা নাই সেয়া হৈছে - আৱেগ আৰু মাদকতা। যিটো বস্তু আমাক ছপা মাধ্যম বা হাত লিখা মাধ্যমে আজিও দিবলৈ  সক্ষম হৈ  আছে। এখন গ্ৰন্থ ডিজিটেল মাধ্যমত পৰি আমি কোনো আৱেগ ল'ব নোৱাৰো কিম্বা মাদকতাও উপলব্ধি কৰিব নোৱাৰো কিন্তু হাতত এখন গ্ৰন্থ লৈ তাক লিৰিকি বিদাৰি - বাৰে বাৰে পৃষ্ঠা লুটিয়াই চাই যি মাদকতা অনুভৱ কৰি পাৰি সেয়া অবৰ্ণনীয়। এই কথা উপলব্ধি কৰিবলৈ হ'লে আমি এখন গ্ৰন্থ হাতত তুলি পঢ়ি চাব লাগিব। ডিজিটেল মাধ্যমত তৎকালীনভাৱে অধ্যয়ন কৰা  বস্তু এটাত বস্তুবাদী ভাৱধাৰা পৰিস্ফুট হয় কিন্তু ছপা মাধ্যম বা হাতে লিখা গ্ৰন্থ  এখন পঢ়ি তাত এজন পঢ়ুৱৈ য়ে শিপাৰ সোৱাদ পায়- গ্ৰন্থ বা হাতে লিখা  আলোচনা  এখনৰ লগত আত্মীয়তা গঢ়িব পাৰে। নিজৰ ইতিহাস,অস্তিত্বক হৃদয়ঙ্গম কৰিবলৈ হ'লে  গোট গোটৰ আখৰ এখন কিতাপ পঢ়াটোহে বেছি উপকাৰী। মানুহক জীয়াই থাকিবলৈ আৱেগৰ প্ৰয়োজন-আৱেগ এটা বস্তুক পূৰ্ণতা দিয়ে। আৰু সেই পূৰ্ণতাত মাদকতা থাকিলে ই আমাক  শিপাৰ  সোৱাদৰ লগত সংপৃক্ত কৰে। সেয়ে আমি অনুভৱ কৰিব লাগিব। পৃথিৱীখন যিমান ডিজিটেল হ'লেও - আমি কিন্তু আমাৰ জীৱনৰ প্ৰকৃত সোৱাদ শিপাবোৰৰ মাধ্যমত হে  পাব  পাৰিম। সময়ৰ লগত চলিব লাগিব লগতে শিপাবোৰো খামুচি ৰাখিবলৈ যত্নপৰ হব লাগিব।। ❐



# শিক্ষা বিভাগৰ পৰিয়াল আৰু

## মহাবিদ্যালয় সপ্তাহৰ কিছু ৰঙীন মূহুৰ্তৰ স্মৃতি

■ অনুপমা ডেকা

College week বোৰত মহাবিদ্যালয়বোৰৰ পৰিৱেশ অনন্য হৈ পৰে। পূব কামৰূপ মহা বিদ্যালয়ত আমি অধ্যয়ন কৰি থকা সময়তো ইয়াৰ ব্যতিক্ৰম নাছিল। ছাৰ - বাইদেউৰ লগতে senior বোৰে কোৰা অনুসৰি education department ৰ এক সুকীয়া স্থান আছিল মহাবিদ্যালয় সপ্তাহবোৰত।ছাৰ-মেম সকলৰ সহযোগত সাংস্কৃতিক শোভাযাত্ৰাৰ উপৰিও সকলো প্ৰতিযোগিতাতে আমাৰ বিভাগটোৱে অংশগ্ৰহণ কৰিছিল। যেতিয়া এই পৰিয়ালটোৰ এগৰাকীসদস্য আছিলো আমি আমাৰ দায়িত্ব আছিল আগৰ পৰম্পৰা ৰক্ষা কৰাৰ। সেই মৰ্মে আমি লোকনৃত্য প্ৰতিযোগিতাত লোক নৃত্য হিচাপে বাছি ললো দৰং জিলাৰ লোকনৃত্য "নাঙেলী"। এই নৃত্য পৰিৱেশন কৰাৰ আগতেই আমি দুদিনমান ধৰি পুৰা আখৰা কৰিছো, আমাক সহায় কৰিছিল আমাৰ বিভাগৰ প্ৰাক্তন ছাত্ৰ হীৰক দা, ৰিংকু দা হতে( সকলোৰে নাম মনত নাই)। দাদাহঁতৰ উৎসাহতে মহাবিদ্যালয় সপ্তাহত আগতে কোনো বিভাগে পৰিৱেশন নকৰা নৃত্যটো আমি পৰিবেশন কৰো। আমি ছোৱা লীবোৰে লগ হৈ ধূতি, চাৰ্ট, মুৰত গামোছাৰে পাগুৰি, হাতত একোডালকৈ এছাৰি লৈ যিটো অনুষ্ঠান পৰিবেশন কৰিলো সকলোৰে হাঁহিত পেটৰ নাড়ী ডাল ডাল। সচাঁকৈ ইমান জমনি আছিল যে এতিয়াও মনত পৰিলে হাঁহি উঠে। সেই সময়ত আমিও একে বাৰে অভিনয়ত নিজৰ ১০০% দিছিলো। সেইবাবে ছাগে বিছাৰকৰ সিদ্ধান্তমৰ্মে আমি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিলো।

তাৰ পিছত বিয়ানাম, সমাবেত সংগীত, জিকিৰকে ধৰি প্ৰায়বোৰ প্ৰতিযোগিতাতে অংশ গ্ৰহণ কৰি পুৰস্কাৰ প্ৰাপ্ত হৈছিলো।আমি বিভাগটোত প্ৰৱেশ কৰাৰ সময়ত নিশা বা, বিস্মিতা বাহঁতে দায়িত্ব লৈ আছিল সকলোবোৰতে। বাহঁত ওলাই যোৱাৰ পিছত আমাৰ ওপৰত সেই দায়িত্ব পৰিছিল। আমিও নিস্তাৰে একেধাৰা অক্ষুন্ন ৰাখি সকলোবোৰ সামৰি লৈছিলো। এতিয়াও সেইদিনবোৰলৈ মনত পৰে য'ত আমি সকলোবোৰে মিলি পৰিয়াল এটিৰ দৰে বিভাগটোক এক বিশেষ কৰি তুলিব চেষ্টা কৰিছিলো।

এতিয়া প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমাৰোহ পাতিবলৈ কৰা সিদ্ধান্তটোৱে মোক বহুত আনন্দ দিছে। এদিনৰ বাবে হলেও সকলোবোৰক লগ পাম। সেই একেইবোৰ স্মৃতিক সুৱৰিম, মন খুলি হাহিঁম লগৰ বোৰৰ লগত,আকৌ পূব কামৰূপ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ কিছু নতুন স্মৃতি জীৱন ডায়েৰীত যুগ হ'ব। শেষত মহাবিদ্যালয়ৰ লগতে বিভাগৰ সকলো দিশতে অধিক উন্নতি হোৱাৰ কামনা কৰিলো।। ❒



# বৰ্তমান সময়ত বিনিয়োগৰ প্ৰয়োজন

■ জয়শ্ৰী ডেকা

বিনিয়োগ বুলি কলে আমাৰ মনত সাধাৰন তে আহে বেংকত ধন জমা ৰখা (saving account) ম্যাদী জমা (Fix deposite) ভবিষ্য নিধি (PPE) বিমা (insurance)আদিয়ে বুজো কিন্তু বৰ্তমান ধৰ্ষিত মুদ্ৰাস্ফিতিয়ে (Inflation) জানো আমাক আমাৰ লক্ষ্যত উপনীত মূল্য হোৱাত সহায় কৰে ? কিয়নো বৰ্ধিত মূল্যবৃদ্ধিয়ে আমাক আমাৰ সপোন বোৰ বাস্তৱত পূৰণ কৰিব লে বাধাৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে কোনো এজন ব্যক্তিয়ে যদি এখন চাৰি চকীয়া বাহন ৫ বছৰ পিছত কিনিব পৰিকল্পনা কৰে যাৰ মূল্য আজি ১০ লাখ টকা আৰু সেই ব্যক্তিজনে ১০ লাখ টকা জমা কৰিবলৈ বেংকত ধন ৰাখি গ'ল । যেতিয়া ৫ বছৰ পিছত ১০ লাখ টকা জমা হ'ব তেওঁ জানো সেই চাৰি চকীয়া বাহন খন ১০ লাখ ও পাব ?

এতিয়া এই মুদ্ৰাস্ফীতিৰ লগত ক্ষেৰ মাৰিব হ'লে এনেকুৱা ঠাইত বিনিয়োগ কৰিব লাগিব যাতে আমাৰ লক্ষ্যত উপনীয়, হোৱাত সহায় কৰে। আমি হয়তো সকলোৱে মিউছুৱেল ফাণ্ড বা শ্বেয়াৰ বজাৰৰ কথা শুনিছো কিন্তু আমি হয়তো ভাবো মিউছুৱেল ফাণ্ডত বিনিয়োগ কৰিব লাগিলে আমাৰ একেলগে বস্তু বহুত ধনৰ আৱশ্যক হব কিন্তু তেনে একো নহয়।মিউচুহেল ফাণ্ডত আমি মাহিলী ৫০০ টকা কৈও বিনিয়োগ আৰম্ভ কৰিব পাৰে যাক SIP (Systematic Investment Plen) বুলি কোৱা আৰু সেই মাহিনী কৰা SIP ত মাজে মাজে ধন জমা কৰিব পাৰোঁ আমাৰ সুবিধা অনুযায়ী। লগতে মিউচুৱেল ফাণ্ডত কোনো নিদিষ্ট সময়সীমা নাথাকে আমি যেতিয়া প্ৰয়োজন সেই ধন, উলিয়াবও পাৰো কিন্তু যিমান বেছি দিন আমি ৰাখো চক্ৰবৃদ্ধি সুত হিচাপত আমাৰ লাভ হয় । আমি যদি আমাৰ উপাৰ্জনৰ এটা অংশ বিনি যোগ কৰি যাও আৰু লাহে লাহে উপাৰ্জন বঢ়াৰ লগে লগে বিনিয়োগও বঢ়াই যোৱা অভ্যাস কৰি যাও তেনেহলে আমাৰ লক্ষ্যত বা সপোন বোৰ পুৰণ হোৱাত সহজ হৈ উঠিব। আমি মাহত অলপ অলপ কৈ জমা কৰি যোৱা ধন চক্ৰবৃদ্ধি সুত হিচাপত এটা সময়ত এটা ডাঙৰ পুঁজি জমা হোৱাত সহায় কৰে।

বৰ্তমান সময়ত আমাৰ ডাঙৰ চিন্তনীয় বিষয় হল অৱসৰ প্ৰাপ্তি। কাৰণ আগতে আমাৰ মা বা দেউতাই পেঞ্চন লাভ কৰিছিল কিন্তু বৰ্তমান সময়ত পেঞ্চনৰ সুবিধা নাই। সেই কাৰণে আমি যদি উপাৰ্জন কৰি যোৱা সময়ত আমাৰ অবসৰ কাৰনে এটা অংশ জমা কৰি যাও তেনেহলে অবসৰ সময়ত সেই জমা ধনৰ পৰা মাহিলী পেঞ্চন লব পৰা সুবিধা ও আছে। ঠিক তেনেকৈ লৰা ছোৱালী উচ্চ শিক্ষাৰ বাবে বা ভবিষ্যতৰ বাবে লৰা ছোৱালী সৰু হৈ থাকোতেই যদি এটা অংশ জমা কৰি যাও তেনেহলে ভবিষ্যত সময়ত আমাৰ অসুবিধা নহয়।

উদাৰণ স্বৰূপে যদি কোনো এজন ব্যক্তিয়ে উপাৰ্জন আৰম্ভ কৰি 1000 টকাৰে এটা SIP আৰম্ভ কৰে 30 বছৰৰ কাৰণে অৱসৰ লক্ষ্য ৰাখি আৰু যদি 10% হিচাপত চক্ৰ বৃদ্ধি সুত পোৱা যায় তেনেহ'লে আপোনাৰ জমা ধন হ'ব 30বছৰত 360 লাখ কিন্তু আপুনি চক্ৰ বৃদ্ধি সুতৰ হিচাপত আপোনাৰ পুঁজি 35লাখ ৰো অধিক হব । যিমান সময় বৈছিকৈ ৰখা হয় চক্ৰ বৃদ্ধি সুত সিমানেই বেছি হয়। ঠিক তেনেকৈ লৰা ছোৱালীৰ ভবিষ্যতৰ কাৰণে এটা ঘৰ বা এখন গাড়ী কিনিব লৈ আপুনি যদি সৰু সৰু কৈ পৰিকল্পনা কৰিলে অলপ- অলপ কৈ জমা হোৱা ধনে আপোনাক জীৱনত নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাত সহায় কৰিব । আমি বিনিয়োগ কৰা সময়ত কেৱল নিৰ্ধাৰিত সময় নিৰ্ধাৰিত লক্ষ্য ৰখাটো উচিত।। ❒



# সোঁৱৰণিৰ বাটেৰে এখোজ

■ দীপান্বিতা বৈশ্য
প্ৰাক্তন ছাত্ৰী

খুব সম্ভৱ ১৯৯৮ চনেই আছিল । মোৰ সমন্ধীয় পেহী এজনী আবেলি সময়ত আমাৰ ঘৰলৈ আহি মোক কৈছিল, কাইলৈ ওলাবি তোক এঠাইলৈ লৈ যাম।তই বৰ ভাল পাবি,তাত মেলা হৈ আছে। সেই সময়ত গৰমৰ বন্ধত মামাৰ ঘৰ আৰু দুৰ্গাপূজাৰ সময়ত অলপ ফুৰাব নিয়াৰ বাহিৰে আন ক'লৈকো যোৱাৰ অনুমতি নাছিল । পেহীয়ে যেতিয়া লগ ধৰিছে নিশ্চয় অলপ বাহিৰ ওলাব পাৰিম বুলি ভাবি মনটো ভাল লাগি গ'ল । এইক্ষেত্ৰত মায়েও বৰ বিশেষ হকা-বাধা নকৰিলে । হাইস্কুলত উঠিছোঁহে মাত্ৰ, বাহিৰৰ জগতখনৰ লগত ভালকৈ খোজ মিলাব পৰা হোৱা নাছিলোঁ যদিও, মনত বৰ হেঁপাহ আছিল পখিলাৰ দৰে উৰি ফুৰিব লৈ । এই হেঁপাহৰ আঁৰত পিছে সেই সময়ত টেলিভিছনৰ চিৰিয়েল বিলাকে উখল-মাখল লগাই আছিল। যি নহওঁক পিছদিনা ১০ মান বজাত পেহী আহি আমাৰ ঘৰত উপস্থিত হ'ল। মায়ে উলিয়াই দিয়া ফ্ৰক চোলাটো পিন্ধিয়েই পেহীয়ে লগত মেলা চাবলৈ ওলালোঁ । মেলা চোৱাটো বাৰু পিছৰ কথা, আজি ঘূৰিব পাৰিম বুলি ভাবি মনটো যে কিমান ভাল লাগিছিল তাক আৰু উল্লেখ কৰাৰ প্ৰয়োজন নাই । ঘূৰাৰ ক্ষেত্ৰত পেহীও কম নাছিল কিন্তু । এতিয়াও পিছে কম নহয়। পেহীৰ কথা পাছত লিখিম বাৰু । ভালকৈ মনত নাই যদিও সেই মেলাখন এখন Science exivision আছিল নেকি । মই পেহীৰ লগত মেলা মানে পূব কামৰূপ কলেজত প্ৰথম পদাৰ্পন কৰিছিলোঁ । যি পিছলৈ আমাৰ হেঁপাহৰ, আমাৰ সপোনৰ , আমাৰ ভৱিষ্যতৰ দলিছা হৈ জীৱনৰ বাটত আগবাঢ়িবলৈ , ভৱিষ্যতৰ সপোন ৰচিবলৈ উদ্গনি দিছিল । আৰু লিখিম হেঁপাহ, মৰম, আদৰ আৰু বহুতো কৈ শেষ কৰিব নোৱাৰা অনুভৱ। কিন্তু তাৰ আগতে অলপমান সেই বিশেষ মেলাখনত দেখা পোৱা যি এতিয়াও মোৰ স্মৃতিৰ ন মনিকোঠাত সিঁচৰতি হৈ আছে তাৰ বিষয়ে অলপ ক'ব বিচাৰিছোঁ । সেই সময়ত জ্ঞানৰ ভঁৰাল যথেষ্ঠ সীমিত আছিল (এতিয়াও পিছে জ্ঞানেৰে চহকী নহয়) বাবে বিস্তৃত ৰূপত বুজাই ক'ব নোৱাৰিম যদিও আগ্নেয়গিৰি উদ্গীৰনৰ যিটো বিজ্ঞানৰ প্ৰকল্প দেখিছিলোঁ সেইটো চাই মোৰ বহুত ভাল লাগিছিল ।

বিভিন্ন ধৰণৰ সাপ কিছুমান কাঁচৰ বটলত ভৰাই থোৱা আছিল । আৰু এটা অদ্ভুত বস্তু দেখিছিলোঁ যি এতিয়াও মোৰ চকুৰ আগত জল-জল পট-পট হৈ ভাঁহি উঠে । এগৰাকী ৫ মহীয়া খাচীয়া ছোৱালী যাৰ মাকৰ মৃত্যুৰ লগতে গৰ্ভতে মৃত্যু হৈছিল তাই । সেই কণ মানি কেঁচুৱাটোক এটা কাঁচৰ ডাঙৰ বটলত ভৰাই ৰাখিছিল । তাইৰ মৃত শৰীৰটো যাতে নষ্ট নহয়, তাৰ বাবে বটলৰ ভিতৰত কিছুমান লিকুইড ব্যৱহাৰ কৰিছিল। মই বাৰে বাৰে কেৱল সেই কনমানিজনীক ভৰাই থোৱা পাত্ৰটোৰ ওচৰলৈ গৈ আছিলোঁ । পেহীয়ে সেই কথা লক্ষ্য কৰি মোক তাৰপৰা সোনকালে লৈ আহিছিল। ঘৰত আহি কেইবাদিনলৈ সেই কথাটো মনত গুজৰি গুমৰি আছিল । দিনবোৰ এনেকৈয়ে পাৰ হৈ এদিন হাইস্কুলৰ দেওনা পাৰ হলোঁ । দেউতাই পূব কামৰূপ কলেজকে বাচনি কৰিলে। যথা সময়ত ২০০১ চনত শিক্ষাৰ্থী হিচাপে পুনৰ পূব কামৰূপ কলেজত ভৰি থলোঁ। সেয়াই আৰম্ভণি প্ৰাণ খুলি হঁহাৰ, সমনীয়াৰ লগত ঘূৰাৰ, ভৱিষ্যত জীৱনৰ পৰিকল্পনা কৰাৰ ।

এতিয়া আহো আমাৰ শৈক্ষিক ক্ষেত্ৰখনৰ আৰম্ভণিৰ বিষয়ে । উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ প্ৰথম ক্লাছটো আছিল, ইংৰাজী বিষয়ৰ । আৰু এই ক্লাছটো লৈছিল এগৰাকী কেৰে লিয়ান অধ্যাপিকা ছেত্ৰী বাইদেউৱে । তেখেতক ২-৩ মাহ মানহে লগ পাইছিলোঁ । কিন্তু তেখেতে ক্লাছত সোমাই Attention Please বুলি কোৱা সেই বিশেষ শব্দ দুটা এতিয়াও স্পষ্টকৈ মনত আছে । আমাৰ ইংৰাজী ক্লাছটো পুৰণি Philosophy Department ৰ কাযতে আছিল বাবে কেতিয়াবা বাইদেউ অহাত পলম হ'লে আমি যেতিয়া হুলস্থুল লগাই ছিলো,তেতিয়া শ্ৰদ্ধাৰ জীৱন শৰ্মা ছাৰে আহি আমাক কৈছিল,"তহঁত এতিয়া ডাঙৰ হ'লি, কলেজত পঢ়িছ । হাইস্কুলৰ স্বভাৱ এৰ ।" কলেজৰ বাহিৰত দেখিলে কয়-"কিয়ে মাই, এতিয়া ক্লাছ নাই নেকি" বুলি কোৱা মানুহজন যে ইমান সোনকালে আমাক এৰি কোনোবা নেদেখা ঠাইলৈ গুচি যাব ভবাই নাছিলোঁ । চাৰলৈ বহুত মনত পৰে । আচলতে কেৱল ছাৰেই নহয়, মহাবিদ্যালয়ৰ প্ৰতিজন গুৰুলৈ বহুত মনত পৰাৰ লগতে শ্ৰদ্ধা ওপজে । উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষতে প্ৰতিজন শিক্ষাগুৰু ইমানেই আপোন আৰু চিনাকি হৈ পৰিছিল যে কলা শাখাৰ ছাত্ৰী হৈয়ো বিজ্ঞান শাখাত বিনাদ্বিধাই যাব পাৰিছিলোঁ।

বিজ্ঞান শাখাৰ মহানন্দ পাঠক ছাৰ, জুলি শইকীয়া বাইদেউ, চিত্ৰা তালুকদাৰ বাইদেউ, বলেনদেৱ চৌধুৰী ছাৰ, নৃপেন তালুকদাৰ ছাৰ আৰু পৰেশ ডেকা ছাৰ একেবাৰে চিনাকি হৈ পৰিছিল । মোৰ মামাৰ ছোৱালী বিজ্ঞান শাখাত পঢ়া হেতুকে, মোৰ ক্লাছ নথকা সময়ত প্ৰায়ে তালৈ যোৱা হৈছিল । কিন্তু সেই সময়ত কোনো এজন ছাৰে আমাক একো কোৱা নাছিল ।

উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষত মহাবিদ্যালয়ৰ প্ৰতিটো চুক কোণৰ লগতে যেন এক সম্পৰ্ক গঢ়ি উঠিছিল ।

সি লাগিলে মহাবিদ্যালয়ৰ  পুথিভঁৰালেই হওঁক বা জিঅ'লজিৰ বিজ্ঞানাগাৰেই হওক নাইবা ভূগোল বিজ্ঞানৰ প্ৰায়োগিক  কোষাগাৰেই হওঁক। ভাল লাগিছিল যেতিয়া স্বয়ং মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ ফুলেশ্বৰ ধিং চাৰে আহি কেতিয়াবা অসমীয়াৰ সাধাৰণ পাঠদান কৰাটো । পঢ়াশুনাত যথেষ্ঠ ভালনাছিলোঁ যদিও নিজৰ ক্লাছকেইটাৰ প্ৰতি খুবেই আন্তৰিকতা আছিল। কোনোটো বিষয়ৰ ক্লাছেই পাল মৰা নাছিলোঁ । সেয়া ইংৰাজী    দীপাঞ্জলী বাইদেউ ক্লাছেই হওক বা দৰ্শন বিষয়ৰ মোহন  ডেকা ছাৰ, কল্পনা ভাগৱতী বাইদেউ, হিতেশ কাকতি ছাৰৰ ক্লাছেই হওঁক নাইবা অৰ্থনীতিৰ নাৰায়ণ গোস্বামী ছাৰেই হওঁক ।

উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষত ভূগোল বিজ্ঞানৰ ক্লাচটো অতিশয় ৰোমাঞ্চকৰ হৈ পৰিছিল । কাৰণ শ্ৰেণীত মাত্ৰ আমি ৩৫-৩৬ জন মানহে ছাত্ৰ-ছাত্ৰী আছিলোঁ । তাতে এটা সুকীয়া কোঠা পাইছিলোঁ যাৰ বাবে আমি কথা   পতাত সুবিধা   হৈছিল । অলপ গণ্ডগোল কৰিলে হালৈ ছাৰে আহি এবাৰ চাই গৈছিল । কিছু সময়ৰ বাবে  শিল পৰা কপৌ, আকৌ সেই একেই দুষ্টামি । আয়েছ ছাৰে কৈছিল- আজি তেনেহলে কথাকে পাতো দে বুলি কৈ পাঠ আৰম্ভ কৰি কেতিয়া সময়বোৰ পাৰ হৈছিল গমকে পোৱা নাছিলোঁ । ৰাভা ছাৰৰ ক্লাছত পিছৰ বেঞ্চত বহি ইমান কথা পাতিছিলোঁ যে পিছত নিজকে লজ্জিত অনুভৱ কৰিছিলোঁ। তথাপি চাৰে কোনোদিন একো কোৱা নাছিল । ঠিক তেনেকৈ  অসমীয়া ক্লাছটো ড° খগেশ সেন ডেকা ছাৰ,  ড° উমেশ চন্দ্ৰ ডেকা ছাৰ, খগেন তালুকদাৰ ছাৰ, পিছলৈ বৰ্ণালী ডেকা বাইদেউক লগ পাইছিলোঁ ।

এতিয়াৰ ছাত্ৰ-ছাত্ৰীৰ কথা নাজানো, সেই সময়ত আমি মহাবিদ্যালয়ত নতুন ছাৰ বাইদেউ আগমন হ'লে যদি গম পাওঁ তেখেত কলা শাখাৰ হয়,তেতিয়া আমি সাধাৰণ শ্ৰেণীৰ ক্লাছত পিছৰ বেঞ্চত বহি হলেও শ্ৰেণী উপভোগ কৰিছিলোঁ । মন্টু শইকীয়া ছাৰ যেতিয়া আহিছিল আমি ছাৰৰ ক্লাছ পোৱা নাছিলোঁ । সেয়ে এদিন জেনেৰেল ক্লাছত সোমাইছিলোঁ । পাঠ কি পঢ়াইছিল মনত নাই যদিও ছাৰে   খেতিপথাৰত থকা  চেৰেপাক লৈ বৰ আমোদ দিছিল । ছাৰে বাৰে বাৰে চেৰেপা চেৰেপা কৈ আছিল   আৰু   আমি কোনেও একো বুজি পোৱা নাছিলোঁ । পিছতহে গম পালোঁ ছাৰে মানে আমি কথিতত কোৱা চৰপাহ পোকৰ কথা কৈছিল । এনেকৈ উচ্চতৰ মাধ্যমিকৰ দুটা বছৰ পাৰ হৈ গৈছিল ।

এতিয়া আহোঁ জীৱনৰ দিশ নিৰ্ণয়কাৰী শৈক্ষিক জীৱনত খোজ পেলোৱা স্নাতক বৰ্ষলৈ। যিহেতু মই কলাশাখাৰ ছাত্ৰী আছিলোঁ,গতিকে কলা শাখাৰ গুৰু বিষয় এটা বাচনি কৰা সময় আহি পৰিল । মই শিক্ষা ( Education) বিষয়টো বাচনি   কৰিলোঁ ।   ইতিমধ্যে মই অধ্যয়ন কৰা প্ৰায়বোৰ  বিভাগ তথা  শিক্ষাগুৰুৰ বিষয়ে মোৰ   কিঞ্চিত উপলব্ধিৰে কিছু কথা ব্যক্ত কৰিলোঁ । এতিয়া   আহো  মোৰ জীৱনৰ দিশ নিৰ্ণয়কাৰী তথা ভৱিষ্যত শৈক্ষিক পৰিক্ৰমাক এক সঠিক ৰূপত উপস্থাপন কৰাৰ সাহস আৰু প্ৰেৰণা দিয়া শিক্ষা বিভাগৰ চিৰনমস্য শ্ৰদ্ধাৰ ছাৰ বাইদেউ সকলৰ কথা ।

শিক্ষা বিষয়টো গুৰু হিচাপে লৈ 2004 চনত শিক্ষা বিভাগত সংযোগ হওঁ। আগতেই কৈছোঁ পঢ়াত বৰ বেছি ভাল নাছিলোঁ বাবে মনত সদায় শংকা আছিল যে মই জানো পাৰিম মেজৰ বিষয় এটা লৈ স্নাতক উত্তীৰ্ণ হ'ব ? কিন্তু কেইদিনমান ক্লাছ কৰাৰ পাছত সকলো বুজিব পৰাকৈ সাহস গোটাব পাৰিছিলোঁ । সেই সাহসৰ আঁৰত মোৰ শ্ৰদ্ধাৰ ৺ ড° হেমচন্দ্ৰ ডেকা ছাৰ, ভাৰতী বাইদেউ, ভূপেন ডেকা ছাৰ আৰু সুন্দৰ মিঠা হাঁহিটিৰে ভৰা আমাৰ সকলোৰে মৰমৰ ববিতা বাইদেউ । ছাৰ বাইদেউ সকলৰ লগত এৰিষ্টটল, পেষ্টালজি, জনদিউ, হিউম, ফ্ৰ'ইদ, কলেৰিজ, কহলাৰ, কফকা, ৱাৰথিমাৰ, থৰ্নডাইক আদি মহান শিক্ষাবিদ তথা মনিষী সকলৰ উক্তিবোৰ সাধু সাধু যেন লাগিছিল । সেই সময়ত এটা ক্লাছ কৰিব নোপোৱা মানে এনে লাগিছিল যেন সেইদিনা কিবা এটা আধৰুৱা হৈ ৰৈছিল । হেম ডেকা চাৰে কৈছিলঃ- তোমালোকে বিষয়বস্তুবোৰ অনুভৱ কৰিবলৈ চেষ্টা কৰিবা, বুজিবলৈ যত্ন কৰিবা । দেখিবা সকলোখিনি সহজ হৈ পৰিব আৰু মনত ৰাখিবলৈ উজু হ'ব ।

ববিতা বাইদেউৰ কথা কিনো ক'ম, তেওঁৰ ক্লাছত যিমান গুৰুত্ব দিছিলোঁ সমানে বাইদেউৱেনো কি পিন্ধি আহিছে , কি হেণ্ডবেগ লৈছে তাকো অনুসৰণ কৰিছিলোঁ। এতিয়া ও মনত আছে বাইদেৱে পিন্ধা শুধ বগা মেখেলা চাদৰ এযোৰত চৰাই উৰি থকাৰ চানেকি কৰা আছিল । সাঁজযোৰ মোৰ ইমানেই প্ৰিয় আছিল যে দূৰৰ পৰা দেখিলে মই কৈছিলোঁ, বাইদেৱে আজি এই কাপোৰজোৰৰ লগত কাণত জাপি ডিজাইনৰ কাণফুলি পিন্ধি আহিছে । কথাটো প্ৰায়ে ফলিয়াইছিল । ইয়াৰ উপৰিও বাইদেউৱে পাঠৰ মাজতে কেতিয়াবা ব্যক্তিগত কথাও আমাৰ লগত ভাগ-বতৰা কৰিছিল। বাইদেউৱে হেনো দেউতাকক বৰ ভয় কৰিছিল বাবেই মাকৰ ওচৰতে পঢ়া শুনা কৰিছিল ।

স্নাতক তৃতীয় বৰ্ষত এদিন ভাৰতী বাইদেউৱে কৈছিল, কাইলৈ তোমালোক সকলোৱে আহিবা । ফাইনেল exam আহি আছে । দুটামান importent notes দিম । বাইদেউৰ কথা মতে প্ৰায় সিদিনা আমি সকলো ছাত্ৰ ছাত্ৰী শ্ৰেণীত উপস্থিত আছিলোঁ যদিও, যথা সময়ত বাইদেউ আহি নোপোৱাত আমি যথেষ্ট উদ্বিগ্ন হৈ পৰিছিলোঁ । কাৰণ বাইদেউৱে আগতে কেতিয়াও আমাক কথা দি আশাহত কৰা নাছিল । পিছদিনা যেতিয়া বাইদেউৱে হাতত বেণ্ডেজ লগাই আহিছিল তেতিয়াহে আমি গম পাইছিলোঁ যে আগদিনা নেমু কাটোতে বাইদেউৰ আঙুলি বৰ বেয়াকৈ কাটিছিল ।

সঁচাকৈ মেজৰৰ ক্লাছবোৰত গুৰু শিষ্যৰ সম্পৰ্কবোৰ ইমান আত্মিক আৰু ঘৰুৱা হৈ পৰিছিল যে যিকোনো অসুবিধা হলেও আমি বিনাদ্বিধাৰে আলোচনা কৰিব পাৰিছিলোঁ । পূব কামৰূপ মহাবিদ্যালয়ত শিক্ষা জীৱনৰ সামৰণি পৰিবলৈ মাত্ৰ কেইটামান মাহহে বাকী আছিল। তাৰ মাজতে আমাৰ বিভাগৰ প্ৰধান হেম ডেকাচাৰে আমাক মানাহ ৰাষ্ট্ৰীয় উদ্যান দেখুৱাবলৈ লৈ গৈছিল। ব্যক্তিগত অসুবিধাৰ বাবে আন ছাৰ বাইদেউসকল যাব পৰা নাছিল যদিও ছাৰে আমাক একো অসুবিধাৰ সন্মুখীন হবলৈ দিয়া নাছিল ।

এনেকৈয়ে সময় বাগৰি এদিন আমি স্নাতক তৃতীয় বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হওঁ। পৰীক্ষাৰ মাজতে আমাৰ সহপাঠী ব্ৰজেন ডেকাই চেৰিব্ৰেল মেলেৰিয়াত আক্ৰান্ত হৈ আমাৰ মাজৰ পৰা চিৰবিদায় লয় । পৰীক্ষাৰ মাজতে সেই খবৰটোৱে আমাৰ সকলোকে মানসিক ভাৱে বৰ কষ্ট দিছিল । তাৰ পাছতো ছাৰ বাইদেউ সকলৰ সাহস আৰু প্ৰেৰণাই আমাক শিক্ষা বিভাগত একো একোজন স্নাতক ডিগ্ৰীধাৰী কৰি তুলিলে । আমাৰ এই সফলতাৰ আঁৰত থকা প্ৰতিগৰাকী শিক্ষাগুৰুলৈ এই চেগতে মই শ্ৰদ্ধাৰে প্ৰণিপাত জনালোঁ । আপোনালোক ৰ বাবেই আজি সাহসেৰে জীৱনৰ খলা-বমা বাটত আগবাঢ়িব শিকিছোঁ ।

শেষত এটা কথা নিলিখিলে লেখাটো যেন ক'ৰবাত আধৰুৱা হৈ থাকিব । মনোবিজ্ঞান বিষয়টো সদায়েই মোৰ প্ৰিয় আছিল বাবেই চাগৈ পৰীক্ষাত নম্বৰবোৰো ভাল কৈ পাইছিলোঁ । সেয়ে হেম ডেকা চাৰে Nehu লৈ গৈ মোক Masters কৰাৰ পৰামৰ্শ দিছিল । সেই সময়ত সাহসৰ অভাৱ আছিল বাবেই ছাৰৰ কথা ৰাখিব নোৱাৰিলোঁ । ছাৰৰ কথা মতে কৰিব পৰা হ'লে আজি চাগৈ জীৱনে আজি বেলেগ গতি ল'লে হৈ । যিটো ক্ষোভ জীৱনৰ শেষ মুহূৰ্তলৈকে মনৰ মাজত কঢ়িয়াই ফুৰিব লাগিব ।

যি কি নহওঁক 2006 চনৰ অক্টোবৰ মাহৰ 16 তাৰিখে কটন মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ স্নাতকোত্তৰত নামভৰ্তি কৰি 2009 চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰোঁ ।

বৰ্তমান মই বৰপেটা জিলাৰ গোবৰ্ধনা শিক্ষাখণ্ডৰ অন্তৰ্গত 1558 নম্বৰ গামাৰীগুৰী প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছোঁ ।

শেষত সদৌতিলৈ মোৰ শ্ৰদ্ধা আৰু মৰম জনালোঁ লগতে সকলোৰে সুস্বাস্থ্যৰ কামনা কৰিলোঁ।। ❐

কবিতা

# ছবি অঁকা কাজিকৰৰ থমকি ৰোৱা তুলিকা

➤ জুৰি গোস্বামী

ছবি আঁকে তেওঁ
অস্বচ্ছ জল ৰঙৰ
ছবিবোৰ মূৰ্ত হৈ পৰে
কেতিয়াবা প্ৰকাশ পায় হেৰটিক ৰহস্যময় ব্যক্তিত্ব
আৰু কেতিয়াবা
উগ্ৰ ৰঙৰ উদন্ত প্ৰকাশ
সাগৰ সদৃশ বানপানীৰ মাজত
মাক আৰু সন্তানৰ সংগ্ৰাম
ৰং তুলিকাৰে ধৰি ৰখা
মৃত্যুসম জীৱন্ত ছবি
মানসিক প্ৰতিচ্ছবিৰ নৱনিৰ্মাণ হয় কেনভাছত
জন্ম হয় সেউজীয়া কলাকৃতি
তেওঁ আজন্ম শিল্পী
মাতৃ গৰ্ভতে উমান পাইছিল
ভাদ মহীয়া বানৰ তাণ্ডৱ
অভাৱত মাতৃৰ উদৰলৈ যোৱা শুকান অন্ন মুঠি
তুলিকাত নৱ ৰূপ পায়...
কেনভাচত ৰঙীন সাজ পিন্ধোৱা
কাজিকৰ বন্ধু জন
আজি হেৰুৱাৰ উপক্ৰম
চাৰিওফালে দেখোন শীতল নিস্তব্ধতা
মানুহজনৰ উৰুখা পঁজাত এতিয়া
ৰং তুলিকা কেনভাচৰ সলনি
এমুঠি অন্নৰ সংগ্ৰাম
কাহানিও নোহোৱা ঘটনা
শেষ কৰিব নোৱাৰিলে
বিশাল ৰঙীন আকাশৰ আধৰুৱা ছবিখন
ভিনচেন্ট ভনৰ দ্যা ষ্টাৰী নাইটৰ বিপৰীতে
সন্ধিয়াৰ বিশাল ৰঙীন আকাশৰ চিত্ৰখনত নপৰিল
তুলিকাৰ অন্তিম পৰশ।। ❐

কবিতা

# শক্তি

➢ *জিণ্টুশ্ৰী বৰদলৈ শৰ্মা*

স্বতঃস্ফূৰ্ত ভাৱে নিৰ্গত বিষাক্ত শব্দবোৰে
হঠাতে যেন সমদল পাতিছিল ?
লানি নিচিগা শব্দৰ মিচিলত যোগ দি
অট্টহাস্য কৰি কপঁনি তুলিছিল বুকুত ।
'শব্দই হেনো ব্ৰহ্ম আৰু ব্ৰহ্মাই হেনো শান্তি'
ক'তা শব্দইচোন কষ্টও দিয়ে,
শান্তিও বিঘ্নিত হয় ।
শব্দবোৰ চতিয়াই দিলেই
বিয়পি পৰে চৌদিশে ।
শূণ্যত প্ৰতিধ্বনিত হৈ
শব্দবোৰ উভতি আহে
দপুনৰ বুকু কপাঁবলৈ ।
মনৰ ভিতৰত সেই শব্দবোৰে
গুজৰি গুমৰি পাকঘুৰণি খায়।
থিতাপি লয় মনৰ দলিচাত
সোঁৱৰণিৰ পৰশত
গজালি ওলাই শব্দবোৰৰ
লহ পহ কৈ বাঢ়ে সেই গজালি বোৰ ।
যাক মহতিয়ালেও চৌদিশে উৰি ফুৰে
সেই শব্দৰ বীজবোৰ ।
পাহৰি যাব নোৱাৰি তাক ।
যেন অজৰ অমৰ ।
নাভাৱো নুশুনো বুলিলেও
ফিঁচিকি আকৌ ডিঙি টঙাই।।❒

১৯৮৯ চনত উচ্চতৰ মাধ্যমিক ১বৰ্ষত এই মহাবিদ্যালয়ৰ শিক্ষাৰ্থী হিচাবে মোৰ কলেজীয়া জীৱন আৰম্ভ হয়। একেৰাহে অধ্যয়ণ কৰি এই মহাবিদ্যালয়ৰ পৰা শিক্ষা বিষয়ৰ স্নাতক হিচাবে ১৯৯৪ চনত মহাবিদ্যালয়ৰ পৰা ওলাই যাওঁ । আমাক শিক্ষা দান কৰা আটাই কেইগৰাকী গুৰুলৈ প্ৰণাম জনোৱাৰ লগতে আমাক এৰি পৰমাত্মাৰ ওচৰলৈ যোৱা প্ৰত্যেক গৰাকী শিক্ষাগুৰুৰ আত্মাৰ চিৰশান্তি কামনা কৰিছো । গৌৰৱ কৰো নিজকে এই পূৱ কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাৱে । অক্ষুন্ন থাকক এই মহাবিদ্যালয়ৰ সুনাম তথা স্বকীয়তা ।
“জয়তু পূৱ কামৰূপ মহাবিদ্যালয়”।

কবিতা

# সোঁৱৰণি

➢ গিৰিজা তালুকদাৰ
নলবাৰী

বৰ্ষণ মুখৰ বতৰত খেয়ালী মনে
সোঁৱৰণীৰ সাঁকোখন
শামুকীয়া গতিত বগাই যায়,
সোঁৱৰণিয়ে ক্ৰমশ লৈ যায়
গাঁওৰ পৰা চহৰলৈ
আইৰ ঘৰৰ পৰা দীঘল কৰি আনে
মোৰ প্ৰতিটো কোঠালী,
কেঁচা বাৰাণ্ডাত ককাই দুভৰি
জপতিয়াই কৈ গৈছিল
কাণত নোখোমোৰা দ পথাৰৰ কথা,
তেতিয়াযে নাজানিছিলো কৃষক
আৰু মাটিৰ মিতিৰালিৰ কথা,
দুচকু থমকি ৰৈছিল জানোচা
ধুমুহাত হেৰাই যায়
নাৰিকল গছত ওলমি থকা
টোকোৰা চৰাইৰ সীমিত সম্পদ
আৰু যদি ধুমুহাই টচ-নচ কৰি থৈ যায়
উঁইহাফলুৰ অভিনৱ কলা।
পানীপোতাৰ পানীখিনি বাৰু কলৈ যায়,
পানীখিনিটো ৰৈ থকা নাই এঠাইত,
নৈখনো নিৰৱধি,
সময়বোৰ ৰৈ নাথাকিল,
আমিবোৰ ৰৈ থাকো স্মৃতিৰ সঁফুৰা খুলি।
বতাহজাক ডাঙৰকৈ নাহোতে ঘৰ পাব লাগিব
কিমান যে খৰ-খেদা
বৰযুণত তিতিম বুলি,
এয়াই যেন সফল জীৱন জীয়াৰ অধীৰ অপেক্ষা।। ❒




Atrt by Mayuri Nath (Ex Student)



Art by Nikumani Rajbangshi(Ex student)




Art by Mrinmoyee Deka(Ex student)



Art by Ashima Baruah(Ex student)

# প্ৰাক্তন ছাত্ৰ- ছাত্ৰী গোটত ৰেজিষ্ট্ৰেচন কৰা সদস্য সকলঃ

| Mail | Name |
|---|---|
| rsivom@gmail.com | Rahul Nath |
| dhrubasarma.ajv@gmail.com | Dhruba Sarma |
| borahpranitaum81@gmail.com | Pranita Borah |
| anupamadeka5@gmail.com | Anupama Deka |
| zkalyani2017@gmail.com | Kalyani Das |
| trishnamali3@gmail.com | Trishna Mali |
| debangabikashsarma@gmail.com | Juri Goswami |
| zkalyani2017@gmail.com | Kalyani Das |
| dipakalita000@gmail.com | Dipa Kalita |
| jayashreedk2@gmail.com | Jayashree Deka |
| gdeka951@gmail.com | Girindra Deka |
| goswamikangkana06@gmail.com | Kangkana Goswami |
| kanikanathdas2018@gmail.com | Kanika Nath |
| dekakishor29@gmail.com | Kishor Deka |
| sunilkakati136@gmail.com | Sunil kakati |
| dhanjoy43@gmail.com | Joyprakash Bharadwaj |
| dhanjoy43@gmail.com | Joyprakash Bharadwaj |
| arifulislam709@gmail.com | Ariful Islam |
| dipannitabaishya73@gmail.com | Dipannita Baishya |
| samad.as786@gmail.com | Abdul Samad |
| alakakbvsasun@gmail.com | Alaka Das |
| rahimabegum2700@gmail.com | Rahima Begum |
| pulinkalita44@gmail.com | Pulin Kalita |
| pulinkalita44@gmail.com | Pulin Kalita |
| manmayurinath94@gmail.com | Mayuri Nath |
| bhaskarsahariah47@gmail.com | Bhaskar Sahariah |
| bhaskarsahariah47@gmail.com | Bhaskar Sahariah |
| purabimalakar6@gmail.com | Purabi Malakar |
| dipikadeka67@gmail.com | DIPIKA DEKA |

# প্ৰাক্তন ছাত্ৰ- ছাত্ৰী গোটত ৰেজিষ্ট্ৰেচন কৰা সদস্য সকলঃ

| Mail | Name |
|---|---|
| ashmadaisy19@gmail.com | Ashma Siddiqua |
| salmayasmin096@gmail.com | Salma Yesmin |
| hridaynandan92@gmail.com | Hridayananda Saikia |
| jintushree12@gmail.com | Jintushree Bardaloi |
| dksuman14@gmail.com | Suman Deka |
| girijatalukdar9@gmail.com | Girija Talukdar |
| violinasaloi8@gmail.com | Bhaswati Saloi |
| rahmanasikur885@gmail.com | Asikur Rahman |
| nazrinakhatun8@gmail.com | Nazrina khatun |
| kalpanaborg@gmail.com | Kalpana Baruah |
| manjitkrd@gmail.com | MANJIT KUMAR DEKA |
| pakhilakumar1972@gmail.com | Pakhila Kumar |
| ahmedrubi36@gmail.com | Rubi Ara Ahmed |
| bkalita280@gmail.com | Bikash kalita |
| rimadeka@1998gmail.com | Rima deka |
| akashjuri@gmail.com | KANAKLATA DEVI |
| kixurdeka@gmail.com | Kishor Kumar Deka |
| madhusmitamoi123@gmail.com | Madhusmita Deka |
| popichandana@gmail.com | Chandana Nath |
| sarmasmritirekha6@gmail.com | Smritirekha sarma |
| rajashreesarma123@gmail.com | Rajashree Sarma |
| nikumonir6@gmail.com | Nikumoni Rajbongshi |
| ritusmitasarma11@gmail.com | Ritusmita Sarmaa |
| hiyamonidas404@gmail.com | Hiyamoni das |
| arjinaahmed616@gmail.com | Arjina Ahmed |
| priyankasarma2001@gmail.com | PRIYANKA SARMA |
| dineshchdas13@gmail.com | DR. DINESH CHANDRA DAS |
| dekakalyani89@gmail.con | Kalyani deka dhing |
| mrinmoyeedeka8@gmail.com | Mrinmoyee Deka |
| banasrisarma998@gmail.com | Banasri Sarma |

# প্ৰাক্তন ছাত্ৰ- ছাত্ৰী গোটত ৰেজিষ্ট্ৰেচন কৰা সদস্য সকলঃ

## Mail Name

trishnarani905@gmail.com Trishna Rani Nath
jesminab89@gmail.com Jesmina Begum
Dhrubajyoti Dutta, KABITA DEKA, Popi Kakati.

GRADUATION 2002,Meghali, Anita, Hemlata Baro, Leena Deka

## আহ্বায়ক সমিতিঃ

শিক্ষা সতীৰ্থৰ মিলন সমাৰোহ
অনুষ্ঠানৰ আহ্বায়ক সমিতি

সমন্বয়কঃ
ড°ববিতা দাস
সম্পাদকঃ
ধ্ৰুৱ শৰ্মা
যুটিয়া সম্পাদকঃ
মনজিৎ ডেকা
হৃদয়নন্দন শইকীয়া
সহ: সম্পাদকঃ
হিমাজ্যোতি ডেকা
হীৰক জ্যোতি নাথ
সদস্যঃ দিতিমণি গোস্বামী,
পপী কাকতি,
সুমন ডেকা, ৰাহুল নাথ,
ৰিংকু মণি নাথ,সুনীল কাকতি,
বৰষা ডেকা, কল্যাণী কলিতা,
অনুপ ডেকা,কবিতা ডেকা

## সাংস্কৃতিক সমিতিঃ

সম্পাদকঃজুৰি গোস্বামী
যুটীয়া সম্পাদকঃ
পুৰবী মালাকাৰ,চিমা বড়ো
সদস্যঃকিশোৰ ডেকা,হিৰক জ্যোতি নাথ,
ৰূপালী নাথ,অনুপমা ডেকা,

## ৰেজিষ্ট্ৰিশ্বন সমিতিঃ

তত্বাৱধায়কঃ
গীতালি কলিতা
তৃষ্ণা ৰাণী নাথ,
মুন্মী ডেকা

## অভ্যৰ্থনা সমিতিঃ

তত্বৱধায়কঃ
গীতালি কলিতা
সম্পাদকঃ
হীৰক জ্যোতি বৰুৱা
অনিন্দিতা গোস্বামী

সদস্যঃ
প্ৰিয়ংকা শৰ্মা,উপাসনা নাথ,
বৰষা ডেকা,ৰিয়াজুল ইছলাম,
কৃষ্ণামণি দাস, বৰষা ডেকা,
নিপন চমুৱা

## প্ৰচাৰ আৰু যোগাযোগ সমিতিঃ

তত্বৱধায়কঃ অবিনাশ নেওগ
সম্পাদকঃ মনজিৎ ডেকা
যুটীয়া সম্পাদকঃ
নয়ন কলিতা, হীৰকজ্যোতি দত্ত
সদস্যঃ জয়শ্ৰী ডেকা,মধুস্মিতা ডেকা,
কংকনা ডেকা,নিলাক্ষী ডেকা,
মেঘালী দেৱী,জোনালী ডেকা,
দেৱী কলিতা

# স্মৃতিৰ ক'লাজ







# স্মৃতিৰ ক'লাজ







# স্মৃতিৰ ক'লাজ








# স্মৃতিৰ ক'লাজ


পূব কামৰূপ মহাবিদ্যালয়
PUB KAMRUP COLLEGE
PUB KAMRUP
COLLEGE
ESTD
1972


PUB KAMRUP COLLEGE


কৰ্ষণ
NEP

# স্মৃতিৰ ক'লাজ








# স্মৃতিৰ ক'লাজ








# "শিক্ষা-সতীৰ্থ"

## (শিক্ষা বিভাগৰ ন-পুৰণি শিক্ষাৰ্থী সংস্থা)

# পূব কামৰূপ মহাবিদ্যালয়

বাইহাটা চাৰিআলি, কামৰূপ, অসম

প্ৰতি,

মাননীয় ———————————————

সদস্য, শিক্ষা সতীৰ্থ

প্ৰিয়,

এৰো বুলিয়ে সম্পৰ্কবোৰ এৰিব নোৱাৰি।
আচলতে সম্পৰ্কৰ এৰা-এৰি নাথাকে।
আপোনাৰ, তোমাৰ, মোৰ, আমাৰ মাজৰ সম্পৰ্কও নিবিড়।
অনুভৱত সম্পৰ্কবোৰ প্ৰগাঢ় হৈ আছে।
অনুভৱক উদ্‌যাপন কৰিলে সম্পৰ্ক আৰু গভীৰ হ'ব!
অচিনাকিবোৰ চিনাকি চিনাকি লাগিব।
সুদূৰবোৰ ওচৰৰ যেনেই লাগিব।
আমিবোৰ কায়া-ছায়া হৈ পৰিম। মায়াৰে বান্ধ খাম।

ব্যস্ততাৰ মাজেৰেই আগবাঢ়িছোঁ।
শিক্ষানুষ্ঠানখনৰ অৱদানতে আমাৰ এই ব্যস্ততা।
তাতে আপোন বিভাগটো হিয়াত সংগোপনে আছেই।
কিমান যে স্মৃতি!
কোন, ক'ত, কেনেকৈ আছো খবৰ পাও জানো?
জানো! সকলোৱে ভালে-কুশলে আছো!

কিমান যে হেপাঁহ! কিমান যে আশা!
সকলোৰে একেলগে এবাৰ মিলিত হোৱাৰ।
তাৰে এক প্ৰয়াস। এক কাৰ্য্যসূচী।
আমাৰ বাবে। আমিয়ে কৰিছো। আমিয়ে থাকিম।
আহিম। আহিব দেই।
নাহিলে বেজাৰ লাগিব।
বেজাৰো নকৰিব, বেজাৰো নিদিব।
আমাৰ নিশ্চিত যোগদানে পূৰ্ণাংগ কৰিব আমাৰ প্ৰয়াস।

# কাৰ্য্যসূচী

## ৭ এপ্ৰিল, ২০২৩ শুক্ৰবাৰ

ৰাতিপুৱা ৯-০০ বজাত ঃ মহাবিদ্যালয়ৰ পতাকা উত্তোলন

উত্তোলক ঃ ড° ভূপেন কুমাৰ শৰ্মা, অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়

ঃ পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সংস্থাৰ পতাকা উত্তোলন

উত্তোলক ঃ শ্ৰীযুত তনু ডেকা, সভাপতি,পূব কামৰূপ মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ সংস্থা

ৰাতিপুৱা ৯-৩০ বজাত ঃ বৃক্ষ ৰোপন

ৰোপকদ্বয় ঃ ড° দিনেশ দাস, শিক্ষা-সতীৰ্থ, সহযোগী অধ্যাপক, শিক্ষা বিভাগ, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা মহাবিদ্যালয়, জামুগুৰি

ঃ শ্ৰীমিলন ৰাজবংশী, শিক্ষা-সতীৰ্থ, সহকাৰী অধ্যাপক, শিক্ষা বিভাগ, বেজেৰা আঞ্চলিক মহাবিদ্যালয়, বেজেৰা

ঃ সম্পাদক, শিক্ষা-সতীৰ্থ

ৰাতিপুৱা ১০-০০ বজাত ঃ শিক্ষা সতীৰ্থৰ পঞ্জীয়ন

ৰাতিপুৱা ১০-১৫ বজাত ঃ বন্তিপ্ৰজ্বলন

প্ৰজ্বলক ঃ শ্ৰীযুত নাৰায়ণ গোস্বমী, উপাধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়

ৰাতিপুৱা ১০-২০ বজাত ঃ শিক্ষা-সতীৰ্থৰ অন্তৰংগ আলাপ

উদ্বোধক ঃ শ্ৰীযুত দিলীপ শইকীয়া, সাংসদ, মঙ্গলদৈ লোক সভা সমষ্টি

সঞ্চালক মণ্ডলী ঃ শ্ৰীঅবিনাশ নেওগ, সহকাৰী অধ্যাপক, শিক্ষা বিভাগ, পূব কামৰূপ মহাবিদ্যালয়

ঃ শ্ৰীধ্ৰুৱ শৰ্মা, শিক্ষা-সতীৰ্থ, জ্যেষ্ঠ শিক্ষক, অসম জাতীয় বিদালয়, নুনমাটি

ঃ শ্ৰীহৃদয়ানন্দ শইকীয়া, শিক্ষা-সতীৰ্থ, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক, পশ্চিম নাওকাটা মণ্ডল সমল কেন্দ্ৰ, তামোলপুৰ শিক্ষাখণ্ড

আঁতধৰিব ঃ শ্ৰীজুৰি গোস্বামী, শিক্ষা-সতীৰ্থ, জ্যেষ্ঠ শিক্ষকয়িত্ৰী, অসম জাতীয় বিদ্যালয়, নুনমাটি

দিনৰ ১২-৩০ বজাত ঃ মুকলি সভা

সভাপতি ঃ ড° ববিতা দাস (সমন্বয়ক শিক্ষা-সতীৰ্থ ও মুৰব্বী অধ্যাপক শিক্ষা বিভাগ, পূব কামৰূপ মহাবিদ্যালয়)

নিমন্ত্ৰিত অতিথি ঃ শ্ৰীযুত দিগন্ত কলিতা, বিধায়ক, কমলপুৰ বিধানসভা সমষ্টি

ঃ শ্ৰীযুত অংকুৰ দাস, বিশিষ্ট সমাজকৰ্মী, বাইহাটা চাৰিআলি

দিনৰ ১-০০ বজাত ঃ স্মৃতিগ্ৰন্থ উন্মোচন

উন্মোচক ঃ ড° আব্দুল ছামাদ, শিক্ষা-সতীৰ্থ, অধ্যক্ষ, বাইহাটা চাৰিআলি বি.এড. কলেজ

মুখ্য বক্তা ঃ ড° অলকা দাস, মুৰব্বী আৰু সহযোগী অধ্যাপক, শিক্ষা বিভাগ, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যায়ন বিশ্ববিদ্যালয়, নমাটি (নলবাৰী, অসম)

বিষয় ঃ "যুৱ প্ৰজন্ম আৰু সামাজিক দ্বায়বদ্ধতা"

দিনৰ ১-৩০ বজাত ঃ প্ৰীতি ভোজন

দিনৰ ২-০০ বজাত ঃ আমন্ত্ৰিত শিল্পী ডেনিচ আলম চহৰীয়াৰ গীতৰ শৰাই

